চাঁদমামা

জুলাই ১৯৮৬



আগবঢ়োৱা হৈছে!

FEVI GUM

স্কুল, অফিচ আৰু
ঘৰৰ কাৰণে
চিন্থেটিক পেপাৰ গাম।

এক মজাৰ গাম!

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিনৰ চমকে !
सुपर
रिन
सफेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 97 2016 AS

গৌতম গোস্বামী
৩১/৭/৮৬

চান্দমামা

জুলাই ১৯৮৬

এই সংখ্যাত আছে

দুৰ্মদ	:	১০	আমাৰ দ'ল-দেৱালয়	:	৩৫
দৰ্শনৰ সুফল	:	১১	চতুৰ চোৰৰ চতিহা	:	৩৯
এটকীয়া মান	:	১৮	শিৰলীলা	:	৪৩
জ্বলা দ্বীপ	:	১৯	বিচাৰৰ চৰ্ত	:	৪৯
বিপৰীতে হিত	:	২৭	প্ৰতিষ্ঠা আৰু পৰাজয়	:	৫২
চাৰিটা প্ৰশ্ন	:	৩২	বুদ্ধিমতী বিদ্যাৰতী	:	৫৮

লগতে

অমৰবাণী, চান্দমামাৰ সম্বাদ-বি-সম্বাদ, সাঁচতীয়া ধন, পশু-পক্ষী ইত্যাদি।

ৰেণুৰ হয় দুগু সখীইঁতৰ লগত
তাই সদায় হব গুৰি কিহৰনো বলত
নিজেই খেলিব এনে এক খেল
তাকে দেখি সখীইঁতে কৰিব মেল!
ৰঙীন একʼ স্কেচ পেন লৈ
আঁকিলে পুতলা লৰালৰিকৈ
দুগু- খৰিয়াল সাহুৰি গৈ
সখীইঁতো আছিল খৰখেদাকৈ!
হালধীয়া, কমলা, বেঙুনীয়া, কʼলা,
গুল পীয়া, ভায়োলেট, বাদামী, ৰঙা,
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন একʼহে লবা!
বিনামূলে্য!
কালাৰিং
ফোল্ডাৰ
EKCO
Trikaya-E-1-86-ASM
একʼ
স্কেচ পেন ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পাৰ্লে (পূব) বোম্বাই-৪০০ ০৫৭
ফোন : ৬০৪০৩০৬, ৬০৪৩৫৫৬.

A BRIGHT NEW TRADITION IS BUILT
by
THE READERS OF

THE HERITAGE

The span of one and half years is not a long time, yet given will and goodwill, enough of a time to build a healthy, meaningful and intelligent reading tradition.

SLOWLY BUT STEADILY THE ELITE OF INDIA AND MANY LOVERS OF INDIAN CULTURE ABROAD ARE UNITING IN THE HERITAGE



* THE HERITAGE reveals the fourth dimension of life to you—through series like *"The Other Experience"* and "Fables and Fantasies for Adults".

* THE HERITAGE brings to you the best of creative literature of Contemporary India—stories, *novels* and poems.

* THE HERITAGE features pictorial articles on places and monuments delving into their *roots.*

* THE HERITAGE takes you to a tour of the *Little-Known India.*

FEATURES AND FICTION FOR TODAY AND TOMORROW

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

এই সংখ্যাৰপৰা আৰম্ভ হ'ল 'জ্বালা দ্বীপ' নামৰ এক ধাৰাবাহিক উপন্যাস। পাঠক-পাঠিকাসকলে তেওঁলোকৰ মতামত জনালে আমি ভাল পাম। পাঠক- পাঠিকাসকলৰ মতামত আমাৰ ওচৰত অতি মূল্যবান আৰু অৰ্থবহ, আৰু আমাৰ কৰ্তব্যপথ নিৰ্দ্ধাৰণত সহায়কাৰী। এই সংখ্যাত 'চীনদেশৰ সাধু' এটি প্ৰকাশিত হৈছে। সেই সম্পৰ্কেও আমাক জনালে আমি উপকৃত হ'ম। সদৌ পঢ়ুৱৈ ৰাইজলৈ আন্তৰিকতা, শুভেচ্ছা আৰু ধন্যবাদৰে।

অমৰ-বাণী

সদ্বিদ্যা শক্যতে লব্ধুং গুরু নামুপদেশতঃ।
শীলম্ স্বাভাৱিকম্ তত্তু লভ্যতেনোপদেশতঃ॥

[গুৰুৰপৰা অতি. উত্তমৰূপে বহু ধৰণৰ বিদ্যা শিকিব পাৰি ; কিন্তু জীৱনত উত্তম স্বভাৱ-চৰিত্ৰৰ অধিকাৰী হোৱাৰ বাস্তৱ শিক্ষা কেৱল গুৰুৰপৰা কদাপি নহয়।]

বছৰ : ১১   জুলাই ১৯৮৬   সংখ্যা : ৩

খনে : ২৫০ টকা : বছৰেকীয়া বৰঙণি : ৩০'০০ টকা

A CHANDAMAMA PUBLICATION

CHITRA

"এৰা, মই জানো আপদীয়া
এই দাঁতৰ ৰাক্ষসবোৰে মোৰ দাঁতত
ছিদ্ৰ কৰিব পাৰে।
কাৰণ মোৰ মা'ই মোক বুজাই
কৈছিল যে আচলতে সেইবোৰেই হ'ল
জীৱাণু '(বেক্টেৰিয়া)' যি খাদ্যকনিকাৰ
সৈতে মিলি গৈ এক জাতীয় 'এচিদ
তৈয়াৰ কৰে' আৰু পাছত ই দাঁতৰ
এনামেলক আক্ৰমণ কৰি দাঁতত
'ছিদ্ৰৰ' সৃষ্টি কৰে।
পিছে মই জানো যে মোৰ সেই ভয় নাই।
কাৰণ মোৰ দাঁতক সুৰক্ষিত ৰাখিছে
ফৰহেন্স ফ্লোৰাইদ'এ
ইয়েই মোৰ দন্তছিদ্ৰৰ সৈতে হোৱা
সংগ্ৰামত মোক সদায় বিজয়ী কৰে!
চুপাৰ ফাইটাৰ
FOAMING Forhan's FLUORIDE
REPLACE CAP
The toothpaste that tightens gums, fights cavities
মোৰ চুপাৰ ফাইটাৰত থকা ফ্লোৰাইদে মোৰ
'দাঁতৰ এনামেলক' সুদৃঢ় কৰি তোলে আৰু যন্ত্ৰণাদায়ক
দন্তছিদ্ৰৰ পৰা মোক মুক্তকৈ ৰাখে।
মোৰ মা'যে ইমান ভাল, তেওঁৰ কাৰণেইতো মই
মোৰ সোৱাদ ভৰা, ফেনা ভৰা
চুপাৰফাইটাৰ সম্পৰ্কে জানিব পাৰিলো!"
এটি আকৰ্ষণীয় নতুন পেকত
FOAMING Forhan's FLUORIDE
ফৰহেন্স ফ্লোৰাইদ
দন্তছিদ্ৰ প্ৰতিৰোধকাৰী চুপাৰফাইটাৰ
429-GM-203 ASAM

চান্দমামাৰ
সম্বাদ-বি-সম্বাদ

ধূমপানৰ ফলত…

ধূমপানৰ ফলত প্ৰতিদিন গড়ে ২৯০০০ মানুহে ইহলীলা সামৰে, তদুপৰি বহু ৰোগ-ব্যাধিৰ চিকাৰ হয়। সম্প্ৰতি কলিকতাত লোৱা সমীক্ষাৰপৰা এই তথ্য প্ৰকাশিত হৈছে।

ৰাখে হৰি মাৰে কোনে…

চীনদেশত য়াং ব'স্কান নামৰ বাই বছৰীয়া যুৱতী এগৰাকীয়ে বাট চমুৱাবলৈ বৰফে গোট মৰা নৈৰ ওপৰেদি ছাইকেলেৰে গৈ থাকোঁতে হঠাৎ এঠাইত বৰফ গলি যোৱাৰ ফলত তাই ডুবিল। ঘটনাটো আন কিছুমানে দেখাত তেওঁলোকে য়াঙক হাচপতাললৈ লৈ গ'ল। তেতিয়া য়াঙৰ হৃৎপিণ্ড স্তব্ধ হৈ আছিল। আশী মিনিটৰ পাছত তাই পুনৰ জীয়াই উঠিল।

আমি দৃষ্টিবান হ'মনে?



সম্প্ৰতি শিশুহঁতৰ চকু সম্পৰ্কে দিল্লীত এক সমীক্ষা কৰা হৈছিল। আমাৰ দেশত বিভিন্ন কাৰণত প্ৰতিবছৰ প্ৰায় ৪০০০ শিশুৱে দৃষ্টিশক্তি হেৰুৱায়। আমাৰ দেশত নব্বৈ লক্ষ অন্ধ আছে। এই বিষয়ত পৃথিৱীত ভাৰতৰ স্থান তৃতীয়।

জানন

১। কোন দ্বীপত নাপ'লেয়ঁ ব'নাপার্ডৰ জন্ম হৈছিল?

২। আমেৰিকাৰ স্বাধীনতা-সংগ্ৰামৰ নেতা কোন আছিল?

৩। দিল্লীৰ সিংহাসনত বহা প্ৰথম মহিলাগৰাকী কোন আছিল?

৪। কোনগৰাকী সম্ৰাটে নিজ ৰাজ্য এৰি পোন্ধৰ বছৰলৈ চুবুৰীয়া ৰাজ্যত আছিলগৈ?

৫। কোনগৰাকী মহিলাই 'নাইটিংগেল অৱ ইণ্ডিয়া' খ্যাতি আৰ্জিছিল?

[উত্তৰ: ৬৫নং পৃষ্ঠাত]

পুৰাণ-গাথা

দুৰ্মদ

ইন্দ্ৰৰ ৰাজসভাৰ অপ্সৰীসকলৰ মাজত উৰ্বশী আছিল শ্ৰেষ্ঠ সুন্দৰী। উৰ্বশীৰ অপৰূপত মুগ্ধ হৈ দুৰ্মদ নামৰ গন্ধৰ্ব এগৰাকীয়ে উৰ্বশীক বিবাহ কৰাবলৈ মন মেলিলে ; কিন্তু উৰ্বশী সন্মত নহ'ল।

উৰ্বশীয়ে চন্দ্ৰবংশৰ ৰজা সম্ৰাট পুৰুক বিবাহ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। এক পূৰ্ণিমাৰ জোনাক নিশা পুৰুৰ সৈতে মিলিত হ'বলৈ নন্দনবনত সোমাই চন্দ্ৰশিলাৰ ওপৰত বহি উৰ্বশীয়ে অধীৰ আগ্ৰহৰে বৈ আছিল।

উৰ্বশীয়ে যে কাৰ বাট চাই বহি আছে সেই কথা বুজি পাই দুৰ্মদে নিজেই সম্ৰাট পুৰুৰ ৰূপ লৈ উৰ্বশীৰ সমুখত উপস্থিত হ'ল আৰু উৰ্বশীয়ে মুগ্ধ দৃষ্টিৰে আহ্বান জনালে। ছদ্মবেশী দুৰ্মদে উৰ্বশীক মালা পিন্ধালে। বহুতো পৰলৈকে দুয়ো একেলগে তাত থাকিল।

বহু সময়ৰ অন্তত প্ৰকৃত পুৰু তাত ওলালগৈ। তেতিয়াহে উৰ্বশীয়ে এই অভিনৱ প্ৰতাৰণাৰ কথা বুজি পালে। উৰ্বশীয়ে দুৰ্মদক অভিশাপ দিলে, "তুমি ৰাক্ষস হোৱাঁ।"

নিজৰ অপৰাধ সম্পৰ্কে সচেতন হৈ দুৰ্মদে অভিশাপ-মুক্তিৰ বাবে উৰ্বশীক খাটিলে। দুৰ্মদৰ কৰুণ আবেদন শুনি, উৰ্বশীয়ে অলপ পৰলৈ ভাবি লৈ, আগৰ অভিশাপ সলাই ক'লে, "ভূলোকত জন্মগ্ৰহণ কৰি তুমি যুদ্ধ কৰি কৰি মৃত্যুবৰণ কৰাগৈ।"

দৰ্শনৰ সুফল

কৌমুদীদেশৰ শান্তিবনত জীৱানন্দ নামৰ এগৰাকী ঋষি আছিল। ঋষি জীৱানন্দৰ অন্যতম শিষ্য প্ৰবোধৰ শিক্ষা সমাপ্ত হোৱাৰ অন্তত গুৰু জীৱানন্দই তেওঁৰ শিষ্য প্ৰবোধক কাশীৰ বিশ্বনাথক দৰ্শন কৰি আহিবলৈ ক'লে।

প্ৰবোধ কাশীলৈ বুলি ৰাওনা হ'ল। বহুদূৰলৈকে যোৱাৰ পাছত প্ৰবোধৰ জোতাৰ ফিতা ছিঙিল। গৈ গৈ গৈ গৈ—মুচিয়াৰ এজনক পাই তাক জোতা মেৰামতি কৰিবলৈ দিলে। জোতা মেৰামতি কৰি থাকোঁতে মুচিয়াৰে প্ৰবোধক সুধিলে, "আপুনি ক'লৈ যাব ডাঙৰীয়া? আহিছে ক'ৰপৰা?"

"মই কৌমুদীদেশৰপৰা আহিছোঁ। বিশ্বনাথ দৰ্শন কৰিবলৈ কাশীলৈ যাবলৈ ওলাইছোঁ।" প্ৰবোধে মুচিয়াৰক ক'লে।

মুচিয়াৰটোৱে ক'লে, "আপোনাৰ ভাগ্য যে কিমান ভাল! আমাৰ ভাগ্যত সেইবোৰ কেতিয়াও নহ'ব।"

প্ৰবোধে সুধিলে, "তোমাৰ নাম?"

"মোৰ নাম কালিদাস। আপুনি মোৰ এটা উপকাৰ কৰিবনে বাবু? আপুনি দয়া কৰি এই ৰূপৰ টকাটো মোৰ নামত বিশ্বনাথক দিয়ে যদি—মই বৰ সুখ পাম।" মুচিয়াৰটোৱে ক'লে।

প্ৰবোধে মুচিয়াৰৰপৰা ৰূপৰ টকাটো লৈ, উত্তৰীয়ৰ (গাত ঢিলাকৈ পেলাই ৰখা সৰু কাপোৰ) এমূৰত বান্ধি, পুনৰ খোজ বঢ়ালে।

কিন্তু দুখোজমান গৈয়েই প্ৰবোধ পুনৰ ঘূৰি আহিল আৰু মুচিয়াৰক জোতা

অনুৰূপা দুৱৰা

মেৰামতিৰ মজুৰি হিচাপে মুদ্ৰা এটা দিব খোজাত মুচিয়াৰটোৱে কালিদাসে ক'লে, "আপুনি মোৰ হৈ বিশ্বনাথলৈ ৰূপৰ মুদ্ৰাটো অৰ্পণ কৰিলেই মোৰ প্ৰাপ্য পালোঁ বুলি ভাবিম মই।"

তাৰ পাছত প্ৰবোধে বাট চমুৱাবলৈ এক গভীৰ অৰণ্যত সোমাল, আৰু ঘোঁৰাত উঠি অহা অগ্নিশিখ নামৰ চোৰ এটাই প্ৰবোধৰ কাষ চাপি আহি ক'লে, "তোমাৰ লগত যি আছে সকলো মোক দিয়া।"

প্ৰবোধে তেওঁৰ নিজৰ খৰচৰ বাবে যিখিনি মুদ্ৰা লৈ ওলাইছিল, আটাইখিনি চোৰ অগ্নিশিখক দিলে। কিন্তু চোৰ অগ্নিশিখই ক'লে, "তোমাৰ উত্তৰীয়ত কি বন্ধা আছে? সোণৰ মুদ্ৰানে কি?"

প্ৰবোধে ৰূপৰ মুদ্ৰাটো অগ্নিশিখক দেখুৱালে আৰু মুচিয়াৰৰ কথাটো তাক ক'লে। তেতিয়া অগ্নিশিখই ভাবিলে: মুচিয়াৰ এটা মোৰ তুলনাত নিচেই সামান্য মানুহ। তথাপি সি বিশ্বনাথলৈ তাৰ মৰম-ভক্তিৰ প্ৰকাশ কৰিলে! মই কিয় নোৱাৰিম?

এইবোৰ কথা ভাবি চোৰ অগ্নিশিখই প্ৰবোধক ক'লে, "ঠিক আছে, এই মুদ্ৰাখিনি এতিয়া মোৰ, তুমি মোৰ নামত এইখিনি কাশী-বিশ্বনাথলৈ অৰ্পণ কৰিবা।" এই বুলি কৈ, কিছুখিনি মুদ্ৰা প্ৰবোধক দিয়াৰ পাছত অগ্নিশিখ তাৰপৰা গুচি গ'ল।

অগ্নিশিখই প্ৰবোধৰপৰা কাঢ়ি লোৱা মুদ্ৰাৰ কিছুখিনিহে বিশ্বনাথলৈ অৰ্পণ কৰিবলৈ প্ৰবোধক দিছিল।

খোজ কাঢ়ি গৈ থাকোঁতে এমাহ পাৰ হ'ল। তাৰ পাছত প্ৰবোধ পুনৰ এক গভীৰ অৰণ্যত সোমাল। এই অৰণ্য আছিল ৰুধিৰবৰ্ণৰ বাসভূমি। তাৰ বাসভূমিত প্ৰবোধক দেখা পাই গৰ্জি উঠি ৰুধিৰবৰ্ণই ক'লে, "তুমি কোন? ইয়াত তুমি কিয় সোমাইছাহি?"



প্ৰবোধে ভয়তে ভিজা মেকুৰী যেন হৈ ক'লে, "হে ৰাক্ষসোত্তম, মোৰ কথা এটা শুনা। মই বিশ্বনাথক দৰ্শন কৰিবলৈ কাশীলৈ যাবলৈ ওলাইছোঁ। বিশ্বনাথক দৰ্শন কৰি অহাৰ পাছত তুমি মোক যদি মাৰি পেলোৱা—মই মান্তি হ'ম। কিন্তু বিশ্বনাথলৈ অৰ্পণ কৰা মুচিয়াৰ এজনৰ মুদ্ৰা, চোৰ অগ্নিশিখই বিশ্বনাথলৈ দিয়া এশ মুদ্ৰা—মই সিহঁতৰ হৈ লৈ গৈছোঁ। মই যদি সিহঁতৰ এই কামখিনি নকৰোঁ, মোক পাপে ছুব। এতেকে—দয়া কৰি মোক কাশীলৈ যাবলৈ দিয়া, ওভোতা বাটত মোক যি ইচ্ছা কৰিবা, মই তোমাক বাধা নিদিওঁ।"

ৰাক্ষস ৰুধিৰবৰ্ণই ভাবিলেঃ মানুহজনে বোধকৰোঁ সঁচা কথাকে কৈছে। বাৰু, ইয়াক এৰি দিওঁ। ৰাক্ষস ৰুধিৰবৰ্ণই প্ৰবোধক ক'লে, "বাৰু, কাশী বিশ্বনাথ দৰ্শন কৰি আহাঁগৈ, যোৱা।"

এইদৰে, গৈ গৈ, অৱশেষত প্ৰবোধে কাশী পালেগৈ। তাত বিশ্বনাথক দৰ্শন কৰি মুচিয়াৰ কালিদাস আৰু চোৰ অগ্নিশিখই দিয়া মুদ্ৰাখিনি বিশ্বনাথলৈ অৰ্পণ কৰিলে।

আৰু তাৰ পাছত, দৰ্শনৰ অন্তত এদিন ওভোতা বাট ল'লে প্ৰবোধে।

উভতি যাওঁতে ৰাক্ষস ৰুধিৰবৰ্ণক লগ কৰি যাব বুলি প্ৰবোধে আগৰেপৰাই খাটাং কৰি থৈছিল। কিন্তু ৰুধিৰবৰ্ণ থকা ঠাইত তেতিয়া ৰুধিৰবৰ্ণৰ সলনি এজন ব্যাধক দেখা পালে।

ব্যাধে প্ৰবোধক প্ৰণাম কৰি ক'লে; "হে মহাত্মা, আপুনি মোক কিজানি চিনি পোৱা নাই। ময়েই সেই ৰাক্ষস ৰুধিৰবৰ্ণ। মই তেতিয়া আপোনাক মাৰি নাখাই এৰি দিয়া বাবেহে ৰাক্ষস গুচি ব্যাধ হ'ব পাৰিলোঁ, আৰু মোৰ এই ৰাক্ষস জীৱনৰ অন্ত পৰিল, তেতিয়াৰপৰা মই শ্ৰেষ্ঠ জনম মানুহৰ জনম লাভিলোঁ।"

প্ৰবোধে কৃধিৰবৰ্ণক আশীৰ্বাদ কৰিলে আৰু পুনৰ খোজ ল'লে। বহু দূৰলৈকে যোৱাৰ পাছত, এঠাইত কিছুমান মানুহে আনন্দৰে হৈ-চৈ কৰি থকা দেখা পাই প্ৰবোধ তাত ৰ'ল। এজন মানুহক অলপ ওখ ঠাইত বহুৱাই, সেই মানুহজনৰ চাৰিওফালে ঘূৰি ঘূৰি সিহঁতে গীত গাই আছিল। প্ৰবোধক তাত দেখা পায়েই সেই মানুহজনে ওখ ঠাইৰপৰা নামি আহি প্ৰবোধক প্ৰণাম কৰি ক'লে, "প্ৰভুৰে মোক চিনি পোৱা নাই হ'বলা। মই সেই অগ্নিশিখ। এই ঠাইৰ আদিবাসী-সকলে মোক ৰজা পাতিছে। এওঁলোকে এক অভিনৱ পদ্ধতিৰে ৰজা নিৰ্বাচন কৰে। এওঁলোকৰ নিয়ম হ'ল—চৰাই এজনীক উৰুৱাই, আৰু সেই চৰাইজনী যিজনৰ মূৰৰ ওপৰত বহেগৈ, সেইজনক এওঁলোকে ৰজা পাতে। কিন্তু—মই ৰজা হোৱাৰ গুৰিত আচলতে আছে আপোনাৰ অনুগ্ৰহ আৰু পিতাদেউ বিশ্বনাথৰ অশেষ কৃপা।"

ৰজা অগ্নিশিখৰ নেৰানেপেৰা অনুৰোধ এৰাব নোৱাৰি প্ৰবোধ তাৰ অতিথি হৈ এটা দিন তাত থাকিল, আৰু পাছদিনা পুনৰ ৰাওনা হ'ল।

গৈ গৈ প্ৰবোধে কালিদাস মুচিয়াৰক বিচাৰিবলৈ ধৰিলে। প্ৰবোধে সেইখন গাঁৱত এখন মস্ত ডাঙৰ জোতাৰ দোকান

আৰু দোকানত ভব্য-গব্য পোছাক-পাতি পিন্ধি থকা মানুহ এজনক দেখা পাই মানুহজনক সুধিলে, "ডাঙৰীয়া, ঠিক এইখিনিতে কালিদাস নামৰ মুচিয়াৰ এজনে জোতা মেৰামতি কৰিছিল। কালিদাস ক'ত আছে ক'বনে?"

সেই ভব্য-গব্য দোকানী মানুহজন তৎক্ষণাৎ সেই দোকানৰপৰা নামি আহি প্ৰবোধক প্ৰণাম কৰি ক'লে, "প্ৰভু, ময়েই সেই কালিদাস। কিছুদিনৰ আগতে দেশৰ ৰজাই এই বাটেদি গৈ থাকোঁতে মোৰপৰা মোৰেই তৈয়াৰী জোতা এযোৰ কিনিছিল। আৰু সিদিনাৰেপৰাই ঈশ্বৰে মোৰ বুলিলে। ৰজাই জোতা কিনাত, দেশৰ গণ্য-মান্য লোকসকলে মোৰপৰা জোতা কিনিবলৈ ধৰিলে। অৱশ্যে— মোৰ উন্নতিৰ গুৰিত আপোনাৰ অনুগ্ৰহ, আৰু কাশী-বিশ্বনাথৰ দয়া।"

এই তিনিওজনৰ ভাগ্য-পৰিৱৰ্তনৰ হেতু যে তেওঁ, সেই কথাটো ভাবি প্ৰবোধ আনন্দিত হ'ল। কিন্তু পাছমুহূৰ্ত্ততে ভাবিলেঃ কাশীলৈ ইমান কষ্ট কৰি গৈ বাবা বিশ্বনাথক দৰ্শন কৰিলোঁ মই। এই তিনিজনৰ কপাল ফুলিল; মোৰনো কি হ'ল? মোৰ দেখোন একোৱেই নহ'ল।" শান্তিবনলৈ উভতি অহাৰ পাছত প্ৰবোধে এই কথাটো তেওঁৰ গুৰু জীৱানন্দকো খোলোচাকৈ ক'লে।

"কাশীত মই যিখন ধৰমশালাত আছিলোঁগৈ, তাত আৰু বহুতো তীৰ্থযাত্ৰী আছিল। হঠাৎ তেওঁলোকে সেই ধৰমশালা এৰি আন এখন ধৰমশালালৈ গুচি যাবলৈ ধৰাত কৌতূহলী হৈ তেওঁলোকক কথাটো সুধিলোঁ। তেওঁলোকে ক'লে যে—যদি সামান্য পইচা-পাতি লয়, তথাপি সেইখন ধৰমশালাত সা-সুবিধা ঢেৰ বেছি। ময়ো তালৈকে গ'লোঁ, আৰু বিশ্বনাথলৈ প্ৰদত্ত অগ্নিশিখৰ মুদ্ৰাৰপৰা অলপ খৰচো হৈ গ'ল।" প্ৰবোধে ক'লে।

তেতিয়া জীৱানন্দই ক'লে, "প্ৰবোধ এইখিনিতে তুমি ভুল কৰিলা। অগ্নিশিখ আছিল চোৰ, সি তোমাৰপৰা এশ মুদ্ৰা কাঢ়ি নিছিল। কিন্তু সেই মুদ্ৰাখিনি যেতিয়া সি বিশ্বনাথক দিবলৈ তোমাৰ হাতত দিছিল, তেতিয়া সেই মুদ্ৰা আছিল তাৰ। তুমি কিন্তু তাৰ ধন, তথা বিশ্বনাথৰ ধন খৰচ কৰিছিলা। এই কথাত তোমাৰ জগৰ লাগিল, পাপ হ'ল; কিন্তু চোৰ অগ্নিশিখই তোমাৰ যোগেদি পূৰ্ণভাৱে পুণ্যলাভ কৰিলে। যি কি নহওক, ভুল যেতিয়া হৈ গ'ল, এতিয়া আৰু তোমাৰ কৰিবলগা একো নাই।"

"একো নাইনে, গুৰুদেৱ?" প্ৰবোধে বিনম্ৰভাৱে জীৱানন্দক প্ৰশ্ন কৰিলে।

প্ৰবোধৰ প্ৰশ্নৰ উত্তৰত গুৰু জীৱানন্দই ক'লে, "চোৱাঁ, প্ৰবোধ, তুমি ইয়াৰপৰা লৈ যোৱা মুদ্ৰাখিনি অগ্নিশিখই কাঢ়ি নিছিল। তেনেহ'লেনো—তুমি কেনেকৈ কাশীলৈ গৈছিলা কোৱাচোন?"

"গুৰুদেৱ, অগ্নিশিখই বিশ্বনাথৰ চৰণত অৰ্পণ কৰিবলৈ মোৰ হাতত মোৰেপৰা কাঢ়ি লোৱা মুদ্ৰাখিনি দিছিল। বাটত মই অৰণ্যৰ ফল-মূল খাইহে কাশীলৈ গৈছিলোঁ। কিন্তু কাশীত সেই মুদ্ৰাৰপৰা খৰচ কৰিছিলোঁ।"

"কাশীত খৰচ হ'ল কিয়?" জীৱানন্দই তেওঁৰ নতুন শিষ্য প্ৰবোধক সুধিলে।

জীৱানন্দই প্ৰবোধক সান্ত্বনা দিয়াৰ ভংগীৰে ক'লে, "মুচিয়াৰ কালিদাস আছিল অতি দুখীয়া। সি তাৰ কষ্টাৰ্জিত ধনৰপৰা বিশ্বনাথলৈ উছৰ্গা কৰিছিল, তুমি অৰ্পণ কৰিছিলাগৈ, তাৰ কপাল মুকলি হ'ল। অগ্নিশিখ আছিল এটা চোৰ। সি চোৰ হৈয়ো বিশ্বনাথত বিশ্বাস কৰি তাৰ চুৰিৰ ধন অৰ্পণ কৰাত পাপমুক্ত হৈ পৰিল, আৰু ৰজা হ'ল। আৰু ৰাক্ষস ৰুধিৰবৰ্ণৰ ঘটনাও প্ৰায় একেই। মানুহ মাৰি খোৱা আছিল তাৰ কাম। তথাপি, বাবা বিশ্বনাথৰ কথা কোৱাত সি তোমাক এৰি দিলে, আৰু তাৰ ফলত তৎক্ষণাৎ তাৰ পুণ্যলাভ হ'ল।"

"গুৰুদেৱ, আপোনাৰ বক্তব্য মই বুজি পাইছোঁ। তথাপি গুৰুদেৱ মই যে বাবা বিশ্বনাথক প্ৰণাম কৰিলোঁগৈ তাৰ ফলত মোৰ অলপো পুণ্য হোৱা নাইনে?" ক্ষুব্ধ প্ৰবোধে সুধিলে।

"শুনা, এজন দুখীয়া মুচিয়াৰ, এটা চোৰ, আৰু ৰাক্ষস এটাৰো তোমাৰ হতুৱাইহে পাপক্ষালন হ'ল। এই তিনিওজনৰ মাজত এজনেও তোমাক লগ নোপোৱাহেঁতেন বাবা বিশ্বনাথৰ নামো নুশুনিলেহেঁতেন। সিহঁতে যি কাম কেতিয়াও কৰিব নোৱাৰিলেহেঁতেন, তুমি সিহঁতৰ হৈ কৰি দিলা। এই যে মহা উপকাৰ সাধিলা, আৰু স্বয়ং বাবা বিশ্বনাথক দৰ্শন কৰি আহিলা—তাৰ সুফল তুমি এদিন নিশ্চয় পাবা।"

গুৰুৰ কথা শিষ্যৰ সিমান মনঃপূত নহ'ল। কিন্তু কিছুদিনৰ অন্তত প্ৰবোধে বিভিন্ন ঘটনাৰ মাধ্যমত দেশৰ এগৰাকী শ্ৰেষ্ঠ পণ্ডিত হিচাপে খ্যাতি তথা সন্মান লাভ কৰিলে। প্ৰবোধৰ পাণ্ডিত্যৰ কথা শুনি এদিন দেশৰ ৰজাই প্ৰবোধক ৰাজগুৰুৰ বাব দিলে। এইদৰে প্ৰবোধে বিশ্বনাথ-দৰ্শনৰ সুফল লাভ কৰিলে।

এটকীয়া মান

গাঁৱৰ নাম ৰামপুৰ। এই গাঁৱৰ ৰাইজৰ মন হ'ল : গাঁৱৰ ৰামমন্দিৰ সংস্কাৰ কৰিব লাগে। ৰাইজ গাঁওবুঢ়াৰ কাষ চাপিল। গাঁওবুঢ়াই সমূহ ৰাইজক ক'লে, "আমি যদি সংগীতানুষ্ঠান এখন পাতিব পাৰোঁ, তেনেহ'লে প্ৰবেশপত্ৰ বেচি যি টকা পাম, তাৰে কামটো হ'ব পাৰে।"

ৰামপুৰ গাঁৱত এজন উচ্চাংগ সংগীত-বিশাৰদ আছিল। তেওঁৰ নাম সাৰংগপাণি। আন এজন আছিল বীণাবাদক, তেওঁৰ নাম সোমদত্ত। দুয়োজনেই খ্যাতিমান। গাঁওবুঢ়াই কোৱাৰ লগে লগে সাৰংগপানি এককথাত মান্তি হ'ল অনুষ্ঠানত ভাগ ল'বলৈ।

কিন্তু বীণাবাদক সোমদত্তই অলপ অস্বস্তি যেন পাই ক'লে, "চাওক, আপোনাৰ কথা শুনি এনে লাগিছে যে আপোনালোকে আমাক দুয়োকো একে সমান মাননী দিব। কিন্তু যিকোনো ফালৰপৰা বিচাৰ কৰি চালে—মোৰ মাননী সাৰংগতকৈ অধিক। তেওঁতকৈ মোক কমেও এটা টকা বেছি দিব লাগিব।"

গাঁওবুঢ়া সোমদত্তৰ কথাত মান্তি হ'ল। এসপ্তাহৰ পাছত সংগীতৰ অনুষ্ঠান পতা হ'ল। অনুষ্ঠানৰ অন্তত গাঁওবুঢ়াই সমবেত শ্ৰোতা-ৰাইজক সম্বোধি ক'লে, "ৰাইজ, সাৰংগপাণিদেৱক যিমান মাননী দিয়াৰ কথা আছিল, আমাৰ সোমদত্তদেৱে তাতকৈ এটা টকা বেছি খুজিছিল। মন্দিৰ সংস্কাৰৰ বাবে সাৰংগপাণিদেৱে একো নলয় বুলি কোৱাত, সোমদত্তদেৱক এটকা মাননী হিচাপ দিয়া হ'ল।"

টকা এটা লৈ, সোমদত্তই আৰু একো নকৈ তলমূৰ হৈ তাৰপৰা গুচি গ'ল।

জ্বালা দ্বীপ

১

ধৱলগিৰি দেশৰ ৰজা আছিল তাৰকেশ্বৰ। ধৱলগিৰি দেশ নৰ্মদা নৈৰ তীৰত অৱস্থিত আছিল। ৰজা তাৰকেশ্বৰৰ আছিল দুই পুত্ৰ। ডাঙৰজন পুত্ৰৰ নাম শূৰসেন আৰু সৰুজনৰ নাম চিত্ৰসেন। শূৰসেন পঁচিছ বছৰীয়া, আৰু চিত্ৰসেন তেতিয়া ওঠৰ বছৰীয়া মাথোন।

এদিন দুয়োজন ৰাজকোঁৱৰ চিকাৰলৈ ওলাল। গভীৰ অৰণ্যত এজাক হৰিণা দেখা পাই দুয়ো ৰংমনে কঁড়িয়াবলৈ ধৰিলে। হৰিণাবিলাক বিজুলী গতিৰে গভীৰ অৰণ্যলৈ চেঁকুৰ ল'লে, আৰু সিহঁতৰ পিছে পিছে লৰৰি গৈ গৈ ৰাজকোঁৱৰদ্বয়ো গভীৰ অৰণ্যৰ মাজত সোমাই পৰিলগৈ।

আৰু লগে লগে ৰাজকোঁৱৰদ্বয়ে গভীৰ অৰণ্যত সিংহৰ গৰ্জন শুনি ভয়তে বিতত হৈ থমকি ৰৈ দিলে। পাছ মুহূৰ্ত্তত সিংহৰ গৰ্জনলৈ লক্ষ্য কৰি দুয়ো প্ৰবলভাৱে কাঁড় এৰিবলৈ ধৰিলে; কিন্তু ৰাজকোঁৱৰদ্বয়ৰ ঘোঁৰা দুটাই ভয় খাই চেঁকুৰ ল'লে। ৰাজকোঁৱৰদ্বয়ে একোপধ্যে ঘোঁৰা দুটাক ৰখাব নোৱৰা হ'ল।

ৰাজকোঁৱৰ চিত্ৰসেনৰ ঘোঁৰাটো উধাতু খাই যেনিয়ে-তেনিয়ে দৌৰি গৈ থাকিল। লেকামত ধৰি টানিও চিত্ৰসেনে ঘোঁৰাটোক ৰখাব নোৱাৰিলে। আৰু এইদৰে, বহুতোপৰলৈকে লৰা-ধপৰা কৰি, কৰি ভাগৰি পৰি চিত্ৰসেনৰ ঘোঁৰাটো মৰিল।



ঘোঁৰাটোৰ মৃত্যু হোৱাত চিত্ৰসেন অতি অসহায় যেন হৈ পৰিল। হঠাৎ মনত পৰিল ককাইদেউ শূৰসেনক। চিত্ৰসেনে ককাইদেউ শূৰসেনক বিচাৰি চাৰিওফালে চালে; কিন্তু ক'তো-কেনিও শূৰসেনৰ ছাঁটোও দৃষ্টিত নপৰিল, আনকি কণ্ঠস্বৰো শুনা নগ'ল। ককাইদেৱে যে দলৰ মানুহবিলাকক এৰি গভীৰ অৰণ্য পালেগৈ, সেই কথাত চিত্ৰসেনৰ সন্দেহ নাথাকিল। এতিয়া আন্দাজে-মুন্দাজে ধৰলগিৰিলৈকো যোৱা টান; কিয়নো কোন পিনে কোন পোনে যে ধৰলগিৰি —সেই কথাটো চিত্ৰসেনে ক'ব তো নোৱাৰে। ওপৰ-চাপৰ নাচাই কাম কৰিলে যে কি ফল হয়, এইবাৰহে ওঠৰ বছৰীয়া ৰাজকোঁৱৰ চিত্ৰসেনে বুজি পোৱা হ'ল আৰু ভয়তে গা জিকাৰ খাই উঠিল। তথাপি, দিনতে আন্ধাৰ দেখি মদকুৰা পৰি মনে মনে বহি থাকিলেচোন নহ'ব। মদাৰ গছৰ পাণ পাৰিব তোলাগিব।

ভাবি ভাবি, অনাই-বনাই গৈ গৈ, চিত্ৰসেনে এটা পাহাৰ দেখা পাই তাত ৰ'ল। পাহাৰটোৰ কাষেদি বৈ যোৱা সৰু জুৰিটিৰপৰা পানী খাই পিয়াহ গুচাই ল'লে চিত্ৰসেনে।

তাৰ পাছত এঠাইত বহি চিত্ৰসেনে ভাবি থাকিল যে তাৰ পৰৱৰ্তী কৰ্তব্য কি। সি ভাবিলে: ককাইদেৱেও নিশ্চয় মোক অ'ত ত'ত বিচাৰি ফুৰিছে। তাৰ ঘোঁৰাটোৰো একেই দশা হ'লনে কি? নে ককাইদেউৰ সেই ঘোঁৰাটো এতিয়াও চপলিয়াই গৈ আছে পাহাৰ-অৰণ্য পাৰ হৈ?

হঠাৎ চিত্ৰসেনে চিঞৰি উঠিল, "ককাই—দে—উ! হে—এ—ক—কা—ই—দেউ! ককাই—দে উ এ—এ!"

চিত্ৰসেনৰ এই চিঞৰে পাহাৰৰ গাত ঠেকা খাই ধ্বনিত-প্ৰতিধ্বনিত হৈ থাকিল। হঠাৎ বহু দূৰৰপৰা কোনোবা এজনে চিঞৰি ক'লে, "তাত কোননো—? কোনে



কাক মাতিছে— ? তুমি যেৰেই নোহোৱা, তুমি যে অতি ভাগ্যৱান সেই কথাত সন্দেহ নাই। শীঘ্ৰে মোৰ ওচৰলৈ আহাঁ, খৰকৈ আহাঁ।"

এই কণ্ঠস্বৰ যে সৌ গুহাটোৰ ভিতৰৰ-পৰা ওলাইছে, সেই কথাত চিত্ৰসেনৰ সন্দেহ নাথাকিল। এনে নিমাওমাও অৰণ্যত অচিন মানুহৰ কণ্ঠস্বৰ শুনি পোনতে চিত্ৰসেন ভয়াতুৰ হৈ পৰিছিল; কিন্তু অনতিপলমে নিজক চম্ভালি লৈ চিঞৰি ক'লে, "তুমিনো কোন ? তুমি ৰাক্ষসনে কি ? তুমি নিশ্চয় গুহাৰ ভিতৰত আছা। যদি সাহস আছে—ওলাই আহাঁ, তোমাৰ লগত এহাত যুঁজি চাওঁ।"

লগে লগে গুহাৰ ভিতৰৰপৰা অট্টহাঁহি শুনা গ'ল। তাৰ পাছত সেই অদৃশ্য কণ্ঠস্বৰে ক'লে, "বাছা, তুমি যে সাহসী বীৰপুৰুষ, তাৰ প্ৰমাণ পালোঁ। তোমাৰ দৰে সাহসী কোনোবা এজনৰ বাট চাইহে মই ইয়াত আছোঁ। মই ৰাক্ষস নহওঁ, সাধকহে। মই ইয়াত সিদ্ধিলাভ কৰিলোঁ। একো ভয়-ভীত নকৰি তুমি বোপা মোৰ ওচৰলৈ আহাঁ। সিফলীয়া হ'বলৈ মোৰ আৰু বৰ দেৰি নাই। মোৰ তপস্যালব্ধ ফল তোমাক দিবলৈ বিচাৰোঁ।"

চিত্ৰসেনে ভাবিলে: গুহাৰ ভিতৰত থকাটো যদি ৰাক্ষস হয়, মই তাৰ লগত বলেও নোৱাৰিম, পলায়ো সাৰিব নোৱাৰিম। আৰু যদি সঁচাসঁচিকৈ সাধক—ভয়ৰ একো নাই। —এইবোৰ কথা ভাবি, খোলা তৰোৱাল হাতত লৈ, জুৰিটি পাৰ হৈ, চিত্ৰসেন লাহে-ধীৰে গুহাৰ কাষ চাপিল।

আচলতে, তাত কেইবাটাও গুহা আছিল। চিত্ৰসেনে গুহাৰ ভিতৰলৈ চাই চাই গৈ থাকোঁতে এটা গুহাৰপৰা কোনোবাই কৈ উঠিল, "আহিলানে বোপা, ভয় নাই, ভিতৰলৈ আহাঁ।"

তৰোৱালখন কোবামুঠিয়াকৈ ধৰি,



চিত্ৰসেনে ভিতৰলৈ জুমি চালে। গুহাৰ ভিতৰত বগাচুলীয়া বৃদ্ধ এজনক বহি দেখা পালে সি। বৃদ্ধৰ দাড়িও বগা। এওঁক সঁচাসঁচিকৈ সাধক বুলি ধাৰণা হ'ল চিত্ৰসেনৰ। বৃদ্ধ মানুহজন অলপ ওখ ঠাইত বহি আছিল। এই ঋষিকল্প বৃদ্ধৰ প্ৰতি কঠোৰ বাক্য প্ৰয়োগ কৰাৰ বাবে চিত্ৰসেন অনুতপ্ত হ'ল। সি তৰোৱালখন লাহেকৈ খাপৰ ভিতৰত ভৰাই থ'লে আৰু গুহাৰ ভিতৰলৈ গৈ সাধকক প্ৰণাম কৰি ক'লে, "হে মহাত্মা, মোক ক্ষমা কৰক। মই নুবুজাকৈ আপোনাক কঠোৰ কথা কৈছিলোঁ, ক্ষমা কৰক তাৰ বাবে।"

সাধকে হাঁহি মাৰি ক'লে, "বোপা, তুমি যে ক্ষত্ৰিয়, সেই কথা মই তোমাক দেখিয়েই ঠাহৰ কৰিব পাৰিছোঁ। বিগত ষাঠি বছৰ জোৰা তপস্যাৰ বলত মই এতিয়া এক অপূৰ্ব বস্তুৰ অধিকাৰী হৈছোঁ। কিন্তু এই বস্তু ব্যৱহাৰ কৰাৰ সময় মোৰ আৰু নাই, কিয়নো, আজি নিশাতে মই মৃত্যুক আঁকোৱালি ল'ম। মোৰ মৃত্যুৰ দিন-ক্ষণ মই আগতেই জানিছিলোঁ। আৰু সেয়েহে কোনোবা যোগ্যৱান পুৰুষলৈ ইমান দিন ধৰি বাট চাই আছিলোঁ। তুমি নিশ্চয় সেই যোগ্য পুৰুষ। মোৰ জীৱনৰ শেষ দিনতো যে তুমি আহি পালাহি, সেয়া মোৰেই সৌভাগ্য। —এয়া চোৱাঁ, এয়ে সেই অপূৰ্ব বস্তু।" এই বুলি কৈ, সেই বৃদ্ধ সাধকে এটা বাঁহৰ পাচি চিত্ৰসেনক দিলে।

চিত্ৰসেনে সেই পাচিটোৰ ঢাকনিখন খুলিবলৈ ধৰোঁতে বৃদ্ধ সাধকে বাধা দি কৈ উঠিল, "বোপা, খৰখেদা নকৰিবা। তুমি য'ত থাকিবা, তাত শান্তভাৱে ঢাকনিখন খুলিবা, তোমাৰ মংগল হ'ব। এইটো এটা সাধাৰণ পাচি নহয় যে য'তে মন যায় তাতে খুলিবা।"

চিত্ৰসেনে নম্ৰভাৱে ক'লে, "হে মহাত্মা,

আপোনাৰ অনুগ্ৰহৰ বাবে মই গভীৰভাৱে কৃতজ্ঞ। আপোনাৰ কাৰণে কৰিবলগা যদি কিবা আছে—মোক অনুগ্ৰহ কৰি কওক। মই আপোনাৰ নিৰ্দেশ পালন কৰিবলৈ সাজু হৈ আছোঁ।"

বৃদ্ধ সাধকে চিত্ৰসেনক ক'লে, "মোৰ প্ৰতি তোমাৰ অনুৰাগ তথা ভক্তি-শ্ৰদ্ধা দেখি মই আনন্দিত। পিছে—আৰু কেইপ্ৰহৰমান অন্তত মই পৰলোকপ্ৰাপ্ত হ'ম। সেয়েহে, এই মুহূৰ্তত তোমাৰপৰা কোনো সেৱা মই গ্ৰহণ নকৰোঁ। পিছে—মোৰ কাৰণে এটি কাম কৰিব লাগিব। এই গুহাৰপৰা ওলাই, গুহাৰ পুব ফালে চাৰিচুকীয়া শিল এচটা দেখা পাবা। সেই শিলচটা তললৈ পেলাই দিবা। মোৰ কাৰণে এইকণ কাম কৰি দিয়া যদি—মই অতি উপকৃত হ'ম।"

চিত্ৰসেন গুহাৰপৰা ওলাল আৰু সেই শিলচটাক তললৈ বগৰাই পেলালে।

আৰু লগে লগে সমগ্ৰ অঞ্চল ভূঁইকঁপ কঁপাদি কঁপি উঠিল। চিত্ৰসেনে পুনৰ জুৰিটি পাৰ হৈ সিপাৰ পালেগৈ আৰু নিজ দেশ ধৰলগিৰিলৈ যোৱাৰ উপায় চিন্তি থাকিল। কোনো উপায় নাপাই, চিত্ৰসেন আগবাঢ়ি যাবলৈ ধৰিলে।

পাহাৰ পাৰ হৈ, অৰণ্যভূমিক পিছ



পেলাই গৈ গৈ চিত্ৰসেনে বেলি লহিউৱাৰ আগে আগে আন এডৰা অৰণ্যভূমি পালেগৈ; কিন্তু এই অৰণ্যত গছ-গছনি তেনেই কম। ক্লান্ত চিত্ৰসেনে এজোপা গছৰ তলত বহি দিলে।

আৰু লগে লগে মনত পৰিল বৃদ্ধ সাধক প্ৰদত্ত সেই পাচিটোৰ কথা; কিন্তু সাধকৰ সতৰ্কবাণী তাৰ মনত নপৰিল।

চিত্ৰসেনে পাচিটোৰ ঢাকনিখন গুচাই পাচিটোৰ ভিতৰলৈ চোৱাৰ লগে লগেই তাৰ দুচকুত অতি উজ্জ্বল পোহৰে জলকতবক লগাই দিলে। সি বাধ্যত পৰি চকু মুদিলে। তাৰ পাছত যেতিয়া সি

চকু মেলি চালে, তেতিয়া তাৰ আগত, সেই অৰণ্যভূমিত, এক আকাশলংঘা অট্টালিকা দেখা পাই হতবাক হৈ পৰিল। এয়া সপোননে দিঠক ? হঠাৎ তাৰ ধাৰণা হ'ল যে সি সপোনতহে এইবোৰ দৃশ্য দেখি আছে। কিন্তু সপোন যেনেকৈ সত্য নহয়, সত্যও তো সপোন হ'ব নোৱাৰে। চিত্ৰসেনে নিজক চিকুটি চালে। নহয়, সাৰে আছোঁ দেখোন! —ভাবিলে বিভ্ৰান্ত-বিহ্বল চিত্ৰসেনে।

আৰু ঠিক তেতিয়াই সাধকৰ সেই সতৰ্কবাণী তাৰ মনত পৰিল: 'য'ত থাকিবা বুলি ভাবিবা, তাতে পাচিটোৰ ঢাকনি খুলিবা'। চিত্ৰসেনে ভাবিলে: হায়। মই যে কিমান ডাঙৰ মূৰ্খ! কিয় ইয়াত মই পাচিটোৰ ঢাকনিখন গুচাইছিলোঁ ? এই নিৰ্জন অৰণ্যত এনেহেন অট্টালিকাৰে মই কি কৰিম ? মই মোৰ নিজৰ দেশ ধৰলগিৰিলৈ গৈ পাচিটোৰ ঢাকনি গুচোৱাহেঁতেন কিমান যে ভাল আৰু লাভ হ'লহেঁতেন মোৰ!

এইবোৰ কথা ভাবি থাকোঁতে হঠাৎ এক বিকট অট্টহাঁহিৰ শব্দই অৰণ্যভূমি কঁপাই তুলিলে। আৰু সেই বিকট হাঁহিৰ বিবাট শব্দই গছ-গছনিবিলাককো কঁপাই থাকিল। চিত্ৰসেনে ধুমুহা নোহোৱাকৈ গছ-গছনিৰ এই কঁপনিৰ দৃশ্য দেখি অবাক-হতবাক হৈ পৰিল।



সি ভেবা লাগি চাই ৰ'ল এই আচৰিত দৃশ্যলৈ। কিন্তু কেইমুহূৰ্তমানৰ পাছত বিৰাট বিৰাট গছ হেলাৰঙে উভালি পেলাই বিশাল ৰাক্ষস এটাক তাৰ পিনে আহি থকা দেখি চিত্ৰসেনে সংবিৎ ঘূৰাই পোৱা হ'ল। এই ভয়ংকৰদেহী ৰাক্ষসৰ বিৰুদ্ধে যে কি কৰিব-নকৰিব—ভাবি উলিয়াব নোৱাৰি চিত্ৰসেন চিত্ৰাৰ্পিতৰ দৰে অলৰ-অচৰভাৱে থিয় হৈ থাকিল।

চিত্ৰসেনে খাপৰপৰা তৰোৱালখন বিজুলীগতিৰে উলিয়াই ল'লে। আৰু এই দৃশ্য দেখি ভয়ংকৰ ৰাক্ষসটোৱে হা হাকৰে বিকট হাঁহি মাৰি চিত্ৰসেনক কৈ উঠিল, "হেৰা বোপাটি, তোমাৰ সাহস দেখি মই তৰধেই মানিছোঁ। মই হ'লোঁ উগ্ৰাক্ষ। আনকি মোৰ নামটো শুনিলেও বহুত নৰ-মনিচ পট্‌কৈ মৰি যায়। আৰু তই—তৰোৱাল হাতত লৈ থিয় হৈছহিনে?" এই বুলি কৈ, এখন্তেক ৰৈ, ৰাক্ষসটোৱে সেই আকাশলংঘা অট্টালিকাটোলৈ আঙুলিয়াই পুনৰ ক'লে, "এই পুতলাঘৰটো তই সাজিলিনে কি?"

"ওঁ, মই।" চিত্ৰসেনে নিৰ্ভীকভাৱে ৰাক্ষসটোক ক'লে।

ৰাক্ষসটোৱে ভয়ংকৰ ক্ৰুদ্ধ দৃষ্টিৰে চিত্ৰসেনলৈ চাই ক'লে, "বোলোঁ ঐ জহনীত যোৱাটো, শুন, এই হাবি, বা এই এলেকা তোৰ বাপেৰৰো নহয়,

ককাৰবো নহয়, মোৰহে। ইয়াত কেলেই মৰিবলৈ আহিলি? এতিয়া মৰিবলৈ সাজু হ।" এই বুলি কৈ, ৰাক্ষস উগ্ৰাক্ষ আগুৱাই আহিল চিত্ৰসেনৰ পিনলৈ।

চিত্ৰসেনে হাত দাঙি ৰাক্ষসটোক ৰখাই ক'লে, "উগ্ৰাক্ষ, মই এই অট্টালিকাটো তোমাক দিম আৰু এই ঠাই এৰি এতিয়াই গুচি যাম। —হ'বনে?"

"নহব।" উগ্ৰাক্ষই ক'লে, "ইয়াৰপৰা তোমাক মই গুচি যাবলৈ নিদিওঁ। হয় ইয়াতে থাকিবা, নহ'লে মৰিবা। যদি ইয়াত থাকাঁ—মোৰ চৰ্ত মানি লৈহে থাকিব পাৰিবা।"

"কি চৰ্ত?" চিত্ৰসেনে সুধিলে।

"তুমি এই অট্টালিকাতে থাকিবা, মই তোমাৰ একো অনিষ্ট নকৰোঁ। পিছে এটা কথা, তোমাৰ ডাঙৰ পুত্ৰ যেতিয়া ওঠৰ বছৰীয়া হ'ব, তেতিয়া তাক মোক দিব লাগিব।" উগ্ৰাক্ষই পুনৰ ক'লে, "তাক কিন্তু আৰু ঘূৰাই নোপোৱা।"

ৰাক্ষস উগ্ৰাক্ষৰ চৰ্ত শুনি চিত্ৰসেন অবাক হ'ল। কিয়নো, সি তেতিয়ালৈকো বিয়াই কৰোৱা নাই, পুত্ৰ আহিবনো ক'ৰপৰা? গছত কঁঠাল গোঁফত তেল, উগ্ৰাক্ষই কৰে চেলবেল। তেও—, চিত্ৰসেনে ভাবিলে: বিয়া হওক-নহওক এতিয়া তাৰ প্ৰস্তাৱ মানি লোৱা যাওক, পাছত ভাবি-গুণি কিবা এটা উপায় উলিয়াম। —এই কথা ভাবি চিত্ৰসেনে ৰাক্ষস উগ্ৰাক্ষক ক'লে, "উগ্ৰাক্ষ, তোমাৰ চৰ্ত মই মানি লৈছোঁ। মোৰ পুত্ৰ ওঠৰ বছৰীয়া হ'লেই তোমাক দিম।"

উগ্ৰাক্ষই অতি ভাল পাই চিত্ৰসেনক ক'লে, "তুমি মোৰ চৰ্ত মানি ল'লা, ময়ো মোৰ কথা ৰাখিম। পিছে চাবা—চৰ্ত ভংগ নকৰিবা, ভংগ কৰিলেই বিপদ।" এই বুলি কৈ, ৰাক্ষস উগ্ৰাক্ষ তৎক্ষণাৎ তাৰপৰা গুচি গ'ল। [অহা সংখ্যাত

বিপৰীতে হিত

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল, আৰু গছৰ ডালৰপৰা শ'টো পুনৰ নমাই আনি, কান্ধৰ ওপৰত পেলাই লৈ, নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে হঠাৎ কৈ উঠিল, "হে ৰজা বিক্ৰমাদিত্য, তুমি কাৰোবাৰপৰা বিশেষ প্ৰশংসা লাভৰ বাবে এই অচিন্ত্যপূৰ্ব শ্ৰম কৰি আছানে কি? কিন্তু কোন কামটো ঠিক, আৰু কোনটো বেঠিক সেই কথা বিবেচনা কৰি কাম নকৰিলে কেতিয়াবা হিতে বিপৰীত হয়। এটা বিশেষ কাহিনী শুনিলেই মোৰ এই মন্তব্যৰ যথাযথ প্ৰমাণ পাবা, আৰু তোমাৰ পথশ্ৰমো কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে সেই কাহিনী ক'বলৈ ধৰিলে:

'বেতাল-কথা'

স্মুবৰ্ণদেশৰ ৰজা শশাংকই তেওঁৰ পত্নী সুনন্দাক অতি ভাল পাইছিল। সুনন্দাৰ যিকোনো অভিলাষ, কষ্ট কৰি হ'লেও ৰজাই সদায় পূৰণ কৰিছিল, অন্ততঃপক্ষে পূৰণ কৰিবলৈ মনে-চিতে চেষ্টা কৰিছিল একো কাৰ্পণ্য নকৰাকৈ।

বিভিন্ন ধৰণ সাজ-পাৰ আ-অলংকাৰ সংগ্ৰহ কৰাত ৰাণী সুনন্দা আছিল বিশেষ আগ্ৰহী। বিভিন্ন ঠাইৰ তাঁতী আৰু সোণাৰীইঁতক মতাই অনাই ৰজাই ৰাণীৰ মনেখোৱামতে পোছাক-পাতি আৰু অলংকাৰ তৈয়াৰী কৰাইছিল। প্ৰতিবাৰ বেলেগ বেলেগ ধৰণৰ সাজ-পাৰ আৰু অলংকাৰ তৈয়াৰ কৰোৱা হৈছিল। ৰজাই তেওঁৰ পৰমপ্ৰিয় ৰাণী সুনন্দাৰ জন্মদিন ধুমধামৰে পালন কৰিছিল।

*

এবাৰ ৰাণীৰ জন্মদিন উপলক্ষ্যে ৰজাই বিভিন্ন দেশৰপৰা অলংকাৰ আৰু শাৰী অনালে। খ্যাতিমান সোণাৰি চন্দনে অলংকাৰ আৰু নামজ্বলা তাঁতী শোনকে বাছকবনীয়া শাড়ী লৈ আহিল। এই দুজনৰ বিশেষত্ব আছিল এয়ে যে এওঁলোকে একেটা নক্সা দ্বিতীয়বাৰৰ বাবে কেতিয়াও ব্যৱহাৰ নকৰিছিল।

ৰজা শশাংকই কোনো বিশেষ কাম কৰিবলৈ লোৱাৰ আগতে তেওঁৰ ঘনিষ্ঠ বন্ধু সাৰংগৰ সৈতে আলোচনা কৰিছিল। কিন্তু সাৰংগই ৰজাৰ সকলো কথাত হয়ভৰহে দিছিল, ৰজাৰ কথাৰ বিৰুদ্ধে কেতিয়াও একো কোৱা নাছিল।

এদিন মহামন্ত্ৰী মকৰন্দই ৰজা শশাংকক ক'লে, "মহাৰাজ, সকলো দেশৰ ৰজা-মহাৰজাই বিভিন্ন বিষয়ত তেওঁলোকৰ মহামন্ত্ৰীৰ লগত আলোচনা-বিলোচনা কৰে, মহামন্ত্ৰীৰপৰা দিহা-পৰামৰ্শ লয়; কিন্তু আপুনি আলোচনা কৰে কেৱল আপোনাৰ বন্ধু সাৰংগৰ লগত, সাৰংগই কেতিয়াবা আপোনাক কোনো সমস্যাৰ সমাধান

দিয়া নাই। তথাপি যে আপুনি কিয় কেৱল তেওঁৰ লগতহে আলোচনা কৰে— মই ঠাৱৰ কৰিব পৰা নাই, মহাৰাজ!”

ৰজা শশাংকই মহামন্ত্ৰী মকৰন্দক ক’লে, “সাৰংগৰ বিষয়টো মই ভালকৈ বুজি পাওঁ। বিশেষ টানে-মস্কিলে নপৰিলে সাৰংগই একো নকয়। তেওঁৰ মতামত কোন বিষয়ত যে কি—মই বুজি পাওঁ।”

•

ৰজা আৰু মন্ত্ৰীৰ মাজত এনেকুৱা কথা-বতৰা বিনিময়ৰ কিছুদিনৰ অন্তত পুনৰ ৰাণীৰ জন্মদিন চমু চাপিলে। অন্যান্য বছৰৰ দৰে সেই বছৰতো চন্দন আৰু শোনকে যথাক্ৰমে নতুন নক্সাৰ অলংকাৰ আৰু শাড়ী লৈ আহিল; কিন্তু এইবাৰ এই দুজনৰ বস্তুবোৰ ৰাণীৰ পছন্দ নহ’ল। ৰাণীয়ে অলংকাৰ আৰু শাড়ী ওভোতাই পঠালে।

এই ঘটনাত ৰজা বিস্মিত হ’ল। তেওঁ যে কি কৰিব ভাবি নোপোৱা হ’ল। বহু ভাবি ভাবি তেওঁ চন্দন আৰু শোনকক মতালে আৰু সিহঁত দুজনক অনাই নতুন ধৰণৰ অলংকাৰ আৰু শাড়ী তৈয়াৰ কৰিবলৈ ক’লে।

কিন্তু তথাপি ৰাণীৰ পচন্দ ন’হল। বাৰে বাৰে নক্সাৰ সাল-সলনি কৰা সত্বেও ৰাণীৰ পচন্দ নহ’ল।

তেতিয়া পত্নীপ্ৰেমী ৰজাই ভাবিলে:

চন্দন আৰু শোনকে নতুন কোনো বস্তু দিব পৰা নাই। বুলিয়েইহে ৰাণীৰ পচন্দ হোৱা নাই ৰজাই চন্দন আৰু শোনকক ডাবি মাৰি ক'লে, "তোমালোকৰ বয়স বঢ়াৰ লগে লগে নৈপুণ্য হ্ৰাস পাই আহিছে। তোমালোকে আৰু কোনো বস্তু নানিবা। তোমালোকৰ লগত আমাৰ পৰিয়ালৰ আৰু কোনো সা-সম্পৰ্ক নাই।"

ৰজাৰ এই কথা সকলোতে বিয়পি পৰিল। কথাটো সাৰংগয়ো শুনিলে। তেতিয়া সাৰংগই ৰজাক ক'লেহি, "বন্ধু, চন্দন আৰু শোনকৰ প্ৰতি তোমাৰ নিৰ্দেশৰ কথা ময়ো শুনিলোঁ। সিহঁতৰ বয়সৰ লগত শিল্প-নৈপুণ্যৰ কোনো সম্পৰ্ক নাই। ইমানদিন ধৰি যিহঁতৰ বস্তু ৰাণীয়ে ভাল পাই আহিছিল, আজি ভাল নোপোৱাৰ কোনো যুক্তিসংগত কাৰণ দেখা নাই। ৰাণীয়ে যেনেকৈ সকলো বস্তু বাতিল কৰিছে, তাৰ কাৰণ কেৱল পচন্দ-অপচন্দ নহ'বো পাৰে; হয়তো কিবা গভীৰ কাৰণ আছে এই অপচন্দৰ আঁৰত। চন্দন আৰু শোনকে বহুকাল ধৰি সিহঁতৰ উদ্ভাৱনী শক্তিৰ পৰিচয় দি আহিছে। এইদৰে ৰাজানুগ্ৰহৰপৰা সিহঁতক বঞ্চিত কৰাৰ অৰ্থ হ'ল প্ৰকৃতপক্ষে বিচাৰবিহীন দণ্ডদান। তুমি গোটেই বিষয়টোক এবাৰ চালি-জাৰি চোৱা উচিত বুলি মই ভাবোঁ।"

ৰজাই সাৰংগৰ কথাখিনি অন্তেষপুৰলৈ গৈ ৰাণীক ক'লেগৈ। ৰাণী সুনন্দাই সাৰংগৰ কথাবোৰ শুনি হঠাৎ কৈ উঠিল, "তোমাৰ বন্ধু সাৰংগই মোক দৃষ্টি দান কৰিলে। মই মোৰ ভুল বুজি পাইছোঁ। এতিয়া মই প্ৰায়শ্চিত্ত কৰিবলৈ বিচাৰোঁ। চন্দন আৰু শোনক পৰিপূৰ্ণ ৰাজসভাত সন্মানিত কৰা হওক।"

ৰাণীৰ কথা শুনি ৰজা হতবাক হৈ পৰিল। ৰাণীৰ একান্ত অনুৰোধ অগ্ৰাহ্য কৰিব নোৱাৰি ৰজাই মহামন্ত্ৰীৰ পৰামৰ্শ খোজাৰ পৰিৱৰ্তে চন্দন আৰু শোনকক

ৰাজসভাত সন্মানিত কৰিবলৈ যথোপযুক্ত ব্যৱস্থা ল'বলৈ আদেশ দিলে।

ৰজাৰ নির্দেশ শুনি মহামন্ত্রী বিস্মিত হ'ল। ৰাজসভাৰ অন্যান্য পাৰিষদসকলো এই কথা শুনি বিস্মিত হৈ পৰিল।

কিন্তু সকলোটিৰ বিস্ময় সত্বেও সাত দিনৰ ভিতৰত চন্দন আৰু শোনকৰ প্ৰতি সন্মান জ্ঞাপনৰ আৰু উপহাৰ প্ৰদানৰ ৰাজকীয় ব্যৱস্থা কৰা হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, "হে ৰজা, স্বামীৰ অৰ্থাৎ ৰজাৰপৰা সাৰংগৰ কথা শুনিয়েই ৰাণীৰ ইমান পৰিবৰ্তন হ'ল কিয়? সাৰংগ যিহেতু ৰজাৰ বন্ধু, সিহেতুকে ৰজাৰ মান-সন্মানৰ কথা চিন্তি চন্দন আৰু শোনকক সন্মান জ্ঞাপন কৰিবলৈ ৰাণীয়ে অনুৰোধ কৰিছিলনে? মোৰ প্ৰশ্নৰ উত্তৰ সঠিককৈ জনা সত্বেও যদি নিদিয়া, তেনেহ'লে নিশ্চয় তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰ ৰজা বিক্ৰমাদিত্যাই ক'লে, "ৰাণীৰ মনৰ পৰিৱৰ্তনৰ গুৰিত যি কাৰণৰ কথা তুমি ক'লা, প্ৰকৃতপক্ষে কাৰণ সেয়া নাছিল। সাৰংগৰ বক্তব্য আছিল যে কেৱল বয়সৰ বৃদ্ধিয়েই চন্দন আৰু শোনকৰ শিল্প-নৈপুণ্যৰ কাৰণ নহ'বো পাৰে। এই কথা শুনি হঠাৎ ৰাণীয়ে ভাবিলে যে তেওঁ নিজেও বয়সৰ বুন্দুৰী হোৱা হেতুকেহে কিজানি চন্দন আৰু শোনকৰ অপাৰ পৰিশ্ৰমৰ বস্তুবোৰ আগৰ দৰে ভাল নলগা হ'ল। সৰংগৰ কথাইহে ৰাণীক এই ভাব-চিন্তাৰ অৱকাশ দিছিল। তেতিয়া ৰাণীৰ মনত খেদ হৈছিল বুলিহে ৰাণীয়ে চন্দন আৰু শোনকক ৰাজসভাত যথোপযুক্তভাৱে সন্মানিত কৰিবলৈ ৰজাক টানি অনুৰোধ কৰিছিল।"

ৰজা বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



চাৰিটা প্ৰশ্ন

লক্ষ্মণদেশত সুকেতু নামৰ এগৰাকী ৰজা আছিল। তেওঁৰ আছিল বহু সংখ্যক মন্ত্ৰী আৰু সেনাপতি। লোকনাথ নামৰ এগৰাকী পণ্ডিত আছিল ৰজাৰ গুৰু। ৰজাই মন্ত্ৰীবৰ্গৰপৰা দিহা-পৰামৰ্শৰ লোৱাৰ উপৰিও লোকনাথৰ পৰামৰ্শ লৈছিল।

এইবাৰ সুকেতু ৰজাই এটা নতুন পদ সৃষ্টি কৰাৰ কথা ভাবিলে। এই পদৰ বাবে যোগ্য মানুহ লোৱা হ'ব। এই পদাধিকাৰীৰ প্ৰধান কাম হ'ব বিভিন্ন বিভিন্ন বিষয়ত ৰজাক তৎপৰতাৰে পৰামৰ্শ প্ৰদান। আৰু দেশৰ বিভিন্ন প্ৰান্ত ভ্ৰমি দেশৰ অৱস্থা সম্পৰ্কে ৰজাক সচেতন কৰাটোও তেওঁৰ কাম হ'ব।

এনেহেন যোগ্যব্যান এজনক বাছি-বিচাৰি উলিওৱাটো যে বৰ সহজ নহ'ব, সেই কথা ভাবি ৰজাই কেইজনমানৰ ওপৰত প্ৰাৰ্থীসকলক প্ৰশ্ন কৰাৰ দায়িত্ব দিলে। এওঁলোকৰ মাজত ৰাজগুৰু লোকনাথ আছিল এজন।

প্ৰাৰ্থীহঁতক কেৱল শাস্ত্ৰ-বিষয়ক প্ৰশ্ন কৰাটোকে ৰজা সুকেতুৰ অভিপ্ৰায় আছিল। কিন্তু ৰাজগুৰু লোকনাথে ৰজাক ক'লে, "হে ৰজা সুকেতু, বিভিন্ন সময়ত ৰজাক সঠিক দিহা-পৰামৰ্শ দিব পৰা মানুহ এজনক কেৱল শাস্ত্ৰভিত্তিক পৰীক্ষাৰে বাছি উলিওৱা নাযাব। প্ৰাৰ্থীৰ উপস্থিত বুদ্ধি, দেশানুৰাগ, মানুহৰ বাবে মমত্ব ইত্যাদিৰ বুজ ল'ব পৰা প্ৰশ্নও প্ৰাৰ্থীক কৰিব লাগিব। মই চাৰিটামান প্ৰশ্ন যুগুতাইছোঁ, আৰু এই প্ৰশ্ন চাৰিটা প্ৰাৰ্থীহঁতক সোধা হওক এয়ে মোৰ ইচ্ছা।

পাৰুল নেওগ

এই প্ৰশ্ন চাৰিটাৰ উত্তৰ সঠিক দিব পৰাজনক এই পদত নিযুক্ত কৰা হ'ব।"

ৰাজগুৰু লোকনাথৰ এই প্ৰস্তাৱত ৰজাই পূৰ্ণ সমৰ্থন জ্ঞাপন কৰিলে।

সাতদিনৰ অন্তত প্ৰাৰ্থী-বাছনিৰ কাম আৰম্ভ হ'ল। দেশৰ বিভিন্ন প্ৰান্তৰপৰা প্ৰাৰ্থী আহিল। প্ৰাৰ্থীসকলৰ মাজত বিজ্ঞ আৰু অনভিজ্ঞো আছিল।

ৰাজগুৰু লোকনাথে প্ৰাৰ্থীসকলক প্ৰশ্ন কৰিলেঃ "অপহৰণ কৰিব নোৱৰা সম্পদ কোনে অপহৰণ কৰিব পাৰে?

"কোনটো বিষয় আনকি পত্নীৰ ওচৰতো প্ৰকাশ কৰা উচিত নহয়?

"অনৰ্থ-সৃষ্টিকাৰীৰ নাম কি?

"প্ৰধান ৰাজকৰ্মচাৰীৰ কি কি গুণ থকা উচিত?"

বহু সংখ্যক প্ৰাৰ্থীয়েই এই প্ৰশ্নসমূহৰ উত্তৰ ঠিকমতে দিব নোৱাৰি তলমূৰ হৈ গুচি গ'ল। 'অপহৰণ কৰিব নোৱৰা সম্পদ অপহৰণ কৰা'ৰ কথা শুনি বহুতকে জ্বৰে-ঘামে আঁটি মাৰিলে। পিছে—কাশীৰ-পৰা অহা বিশ্বনাথ নামৰ যুৱক এজনে ৰাজগুৰু লোকনাথৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিবলৈ আগুৱাই আহিল। প্ৰাৰ্থীহঁতৰ মাজত বয়সত সিয়েই আছিল আটাইতকৈ সৰু। তাক আগবাঢ়ি অহা দেখি লোকনাথ আৰু অন্যান্যয়ো অবাক হ'ল।

ৰাজগুৰু লোকনাথৰ প্ৰথম প্ৰশ্নৰ

উত্তৰত বিশ্বনাথে বিনম্রভাৱে ক'লে, "অপহৰণ কৰিব নোৱৰা সম্পদ মানে—চোৰে চুৰি কৰিব নোৱৰা সম্পদৰ কথা কৈছে নিশ্চয়। মোৰ মতে সেয়া হ'ল জ্ঞান-সম্পদ। আৰু জ্ঞান-সম্পদক কেৱল অহংকাৰেহে অপহৰণ কৰিব পাৰে।"

যুৱকৰ এই উত্তৰ শুনি বিস্মিত ৰাজগুৰুৱে দ্বিতীয় প্ৰশ্নটো কৰিলে, "আনকি পত্নীৰ ওচৰতো কোনটো বিষয় প্ৰকাশ কৰা উচিত নহয়?"

বিশ্বনাথে মিচিকীয়াই হাঁহি ক'লে, "সেই বিষয়টো হ'ল গোপনতা।"

ৰাজগুৰুৱে লোকনাথে তেতিয়া তৃতীয় প্ৰশ্নটো দাঙি ধৰিলে।

তৃতীয় প্ৰশ্নৰ উত্তৰত যুৱকে ক'লে, "প্ৰতিটো বিষয়ৰ পৰিণতি থাকিব লাগে। সকলো বিষয়ৰ সীমা আছে। সীমা চেৰাই গ'লেহে অনৰ্থৰ সৃষ্টি হয়।"

বিশ্বনাথৰ উত্তৰ শুনি ৰাজগুৰু লোকনাথে ক'লে, "মোৰ প্ৰশ্ন তিনিটাৰ উত্তৰ শুনি ভাল পালোঁ। এতিয়া চতুৰ্থ প্ৰশ্নৰ উত্তৰ দিয়া—প্ৰধান ৰাজকৰ্মচাৰীৰ কি কি গুণ থকা উচিত?"

"আগৰ তিনিটা প্ৰশ্নৰ উত্তৰতে প্ৰধান ৰাজকৰ্মচাৰীৰ গুণাৱলীৰ কথা কোৱা হৈছে। তথাপি, সেই উত্তৰসমূহৰ সৈতে এইখিনিও মই সাঙুৰিব খুজিছোঁ যে—প্ৰধান ৰাজকৰ্মচাৰী তো হয়েই, যিকোনো ৰাজকৰ্মচাৰীৰ পক্ষে অহংকাৰী হোৱা উচিত নহয়, স্বজন পোষণৰ ইচ্ছা পৰিত্যাগ কৰা উচিত, আৰু দেশৰ গোপন তথ্য একোপধ্যে প্ৰকাশ কৰা অনুচিত।" বিশ্বনাথে বিনম্ৰভাৱে ক'লে।

বিশ্বনাথৰ উত্তৰ শুনি ৰাজগুৰু লোকনাথ, ৰজা সুকেতু, আৰু তাত উপস্থিত সকলোটিয়েই অত্যন্ত ভাল পালে আৰু তেতিয়াই বিশ্বনাথক ৰজাৰ প্ৰধান পৰামৰ্শদাতাৰ পদত নিযুক্তি দিয়া হ'ল।





চিদাম্বৰম্

এসময়ত দ্বাৰকাবনত ঋষিগণৰ আশ্ৰম আছিল। সেই শ্ৰমৰ ঋষিগণে নিজক সৰ্বজ্ঞ বুলি ভাবিছিল। তেওঁলোকে বহু বিধৰ অলৌকিকত্ব প্ৰদৰ্শন কৰিছিল আৰু সকলোটিৰপৰা পূজিত হোৱাৰ আশা মনত পোষণ কৰিছিল।

এদিন গীত গাই গাই এজন যুৱক আশ্ৰমত সোমালহি। তেতিয়া ঋষিগণ আশ্ৰমত নাছিল। এই তৰুণ সন্যাসীক দেখামাত্ৰেই আশ্ৰমত থকা ঋষিপত্নী-সকল যুৱকৰ ৰূপমুগ্ধ হৈ পৰিল।

ঋষিগণ যেতিয়া আশ্ৰমলৈ আহিল, তেওঁলোকৰ পত্নীসকলে এই যুৱকৰ সৈতে কথা পাতি আছিল। এই কাণ্ড দেখি ঋষিগণৰ প্ৰচণ্ড খং উঠিল। তেওঁলোকে তেওঁলোকৰ পত্নীসকলক ঘৰৰ ভিতৰলৈ যাবলৈ ক'লে। কিন্তু এই আদেশ নামানি পত্নীসকলে এই যুৱকৰ লগত গীত গাই থাকিল।

তেতিয়া ঋষিগণে তেওঁলোকৰ অলৌকিক ক্ষমতাৰ বলত বিৰাট এটা বাঘ সৃষ্টি কৰিলে, আৰু সেই বাঘটোৱে তৎক্ষণাৎ যুৱকৰ ওপৰত জঁপিয়াই পৰিল।

বাঘটোৱে জঁাপ মাৰি দিওঁতেই যুৱকে হাঁহি মাৰি বাঘটোলৈ চালে। আৰু পাছমুহূৰ্ত্ততে বাঘটো তাৰপৰা নোহোৱা হৈ পৰিল; কিন্তু বাঘটোৰ ছালখন যুৱকৰ কঁকালত লাগি থাকিল। এনে অদ্ভুত দৃশ্য দেখি ঋষিগণ হতবাক হ'ল।

কিন্তু তথাপি ঋষিগণ নদমিল। তেওঁ-লোকে সকম্বুৰা ভূত এটা সৃষ্টি কৰি পেলালে। ভূতটোৱে ঋষিগণৰ নিৰ্দ্দেশ-মতে যুৱকক আক্ৰমণ কৰিবলৈ আগুৱাই গৈয়েই যুৱকক প্ৰণাম কৰি বৈ দিলে।

তেতিয়াহে ঋষিগণৰ জ্ঞানোদয় হ'ল যে এই যুৱক সাধাৰণ যুৱক নহয়, এওঁ নিশ্চয় ছদ্মবেশধাৰী ভগৱান। তেতিয়া তেওঁলোকে হাতযোৰ কৰি যুৱকক ক'লেগৈ, "আপুনি কোন ? আপুনি দয়া কৰি আপোনাৰ পৰিচয় আমাক কওক।"

তেতিয়া যুৱকে নিজৰ ৰূপ প্ৰদৰ্শন কৰিলে। ঋষিগণে স্বয়ং শিৱক দেখ পালে। শিৱই তেওঁলোকৰ অহংকাৰ চূৰ্ণ কৰিবলৈ অহা বুলি ঋষিগণে অনুভৱ কৰি যুৱকৰ চৰণত প্ৰণাম কৰিলে।

তাৰ পাছত আশ্ৰমৰ সকলো ঋষি-মুনিয়ে শিৱ-কীৰ্তন কৰি থাকিল। তেওঁলোকৰ গীত-বাদ্যৰ তালে তালে শিৱই নৃত্য কৰিবলৈ ধৰিলে। এই অপূৰ্ব নৃত্যই আশ্ৰমৰ সকলোকে মুহি পেলালে। তাৰ পাছত শিৱ অদৃশ্য হৈ পৰিল।

শিৱৰ নৃত্য সম্পৰ্কে আদিশেষে শুনিলে। তেওঁ শিৱৰ নৃত্য চাবলৈ শিৱকে খাটিলেগৈ। আদিশেষ বা আন যেৰেই নহওক—শিৱৰ নৃত্য চাবলৈ হ'লে মানুহৰ জনম ল'বই লাগিব। কিয়নো, দেবাদিদেৱ শিৱই কেৱল মানুহৰ আগতহে নৃত্য প্ৰদৰ্শন কৰে।

আদিশেষে পতঞ্জলিৰূপে জন্মগ্ৰহণ কৰি শিবৰ নটৰাজ-মূৰ্তি দৰ্শন কৰিলে। সেই মূৰ্তিৰ পদতলত আছিল অহংকাৰ-নামৰ এক ৰাক্ষস। মূৰ্তিৰ এহাতত ডম্বৰু—এই ডম্বৰু হ'ল জীৱন-সংগীতৰ প্ৰতীক, আৰু আনখন হাতত আছিল শক্তিৰ উৎসস্বৰূপ অগ্নি; তৃতীয় হস্তত অভয় দান, আৰু চতুৰ্থখন হাত আশ্ৰিতক সহায় কৰাৰ বাবে প্ৰস্তুত আছিল।

শিৱই যি ঠাইত নৃত্য প্ৰদৰ্শন কৰিছিল, সেই ঠাইৰ নাম হ'ল শিৱক্ষেত্ৰ। অতি সুপ্ৰাচীন কালৰেপৰাই এই নাম প্ৰচলিত। বত্ৰিশ একৰ মাটিৰ ওপৰত এক বিৰাট মন্দিৰ আছে, এই মন্দিৰ দুহেজাৰ বছৰৰ প্ৰাচীন মন্দিৰ। এই মন্দিৰৰ গাত থকা শিল্প-নৈপুণ্যই আজিও দৰ্শকক বিমুগ্ধ-বিস্মিত কৰে।

চতুৰ চোৰৰ চতিহা

হাজাৰ বছৰৰ আগেয়ে চীনদেশৰ হাংপি চৌ নগৰত এক কুখ্যাত চোৰ আছিল। তাৰ নাম কোনেও নাজানিছিল, বা সি দেখাত যে কেনেকুৱা তাকো কোনেও ক'ব নোৱাৰিছিল। সি দেশৰ সকলো ঠাইত চুৰি কৰিছিল; কিন্তু কোনোদিনেই কেৰে দেখা পোৱা নাছিল। সি যিটো ঘৰত চুৰি কৰিছিল, গুচি যোৱাৰ সময়ত সেই ঘৰৰ দেৱালয়ত লিখি থৈ গৈছিল, "মই আহিলোঁ।"

সি এইদৰে লিখি থৈ যোৱাৰ কাৰণহে সেই একেটা চোৰেহে চুৰি কৰিলে বুলি ৰাইজে বুজি পাইছিল।

দেশবাসী অতিষ্ঠ হৈ উঠিল। সম্ৰাটে বাধ্যত পৰি ঘোষণা কৰিলে: 'মই আহিলোঁ' চোৰক যিজনে বা যিসকলে ধৰা পেলাব, সিসকলক প্ৰচুৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰা হ'ব।

প্ৰহৰীহঁতক কঠোৰ নিৰ্দেশ দিয়া হ'ল 'মই আহিলোঁ' চোৰটোক ধৰিবলৈ। প্ৰহৰীহঁত বৰ বিপদত পৰিল। কিয়নো— যিটো চোৰৰ ছবি নাই, নাম নাই— ধাম নাই তাকনো সিহঁতে ক'ৰপৰা কি জাদুৰে কেনেকৈ আৱিষ্কাৰ কৰিব?

তথাপি, গোটেইখন দেশ তন্ন তন্ন কৰি,, এটা মানুহক ধৰি, সম্ৰাটৰ প্ৰহৰীহঁতে তাক বিচাৰকৰ আগত হাজিৰ কৰি বিচাৰকক ক'লে, "মহামান্য বিচাৰক, আমি বহু কষ্ট কৰি, বহুদিন ধৰি বিচাৰি-খোচাৰি, বহুতো বুদ্ধি খটুৱাই, মূৰৰ ঘাম ভৰিত পেলাই, ভৰিৰ ঘাম মূৰত উঠাই 'মই আহিলোঁ' চোৰক এয়া ধৰি আনিলোঁ।"

'চীনদেশৰ সাধু'

বিচাৰকে মানুহজনলৈ কেৰেচীয়াকৈ চাই লৈ প্ৰহৰীহঁতক ক'লে, "এওঁ যে চোৰ—তাৰ প্ৰমাণ? সাক্ষী ক'ত?"

"মহামান্য বিচাৰক জনাব, আমি অতি নিপুণতাৰে ইয়াক ধৰি আনিলোঁ। বিশেষ বিশেষ লক্ষণ থকাত আমি ইয়াকেই সেই 'মই আহিলোঁ' চোৰ বুলি ভাবোঁ।" বৰ কতোৱালে ক'লে।

বিচাৰকে চোৰৰ বক্তব্য শুনিব খোজাত মানুহজনে ক'লে, "হুজুৰ খুদাবন্দ! চোৰক নাপাই ইহঁতে মোকেই ধৰি আনি দেশৰ মহামান্য ছুলতানক ভাঁৰিব খুজিছে। মোৰ নছীব বেয়া, নহ'লেনো মিছামিছিকৈ এনে অথন্তৰত পৰোঁনে?"

কতোৱালে কৈ উঠিল, "মহামান্য বিচাৰক জনাব, আপুনি যদি এই মানুহজনৰ কাবৌ কৰা কথাত ভোল গৈ ইয়াক—এই 'মই আহিলোঁ'ক এৰি দিয়ে এৰি দিয়ে, তেনেহ'লে এই এই জীৱনতো তাক চাগৈ আৰু ধৰিব পৰা নহ'ব।"

বিচাৰকে ক'লে, "মানুহজনক কিছু দিনৰ বাবে কাৰাগাৰত বন্দী কৰি ৰখা হওক। তদন্তৰ অন্তত বিচাৰ হ'ব।"

আচলতে এই মানুজনেই আছিল সেই 'মই আহিলোঁ' চোৰ। সি ফাটেকত সোমায়েই ফাটেকৰ বৰমূৰীয়াক অতি করুণ আৰু অসহায়ভাৱে ক'লে, "মোৰ দুৰ্ভাগ্য যে মই আপোনাৰ ওচৰত আহিলোঁ, একদম শুদা হাতেৰে আহিবলগা হ'লোঁ। মোক ধৰাৰ লগে লগে প্ৰহৰীহঁতে মোৰ ওচৰত থকা সকলো বস্তু কাঢ়ি নিলে। তথাপি, আপুনি জনাব,—আপুনি যদি এই খিদমদগাৰৰ প্ৰতি ৰহম (দয়া) কৰি এশটি ৰূপৰ মুদ্ৰা গ্ৰহণ কৰে, এই অধমে কৃতাৰ্থ মানিব। পিছে—মুদ্ৰাখিনি আছে নছৰত গাঁৱৰ সৰু মছজিদটোৰ পিছফালে এচটা ফটা শিলৰ তলত থকা গাঁতৰ ভিতৰত।"

পোনতে ফাটেকৰ বৰমুৰীয়াজনে

চোৰটোৰ কথাত পতিয়ন যোৱা নাছিল। কিন্তু পাছত, তাৰ কথা মতে তালৈ গৈ মুদ্ৰাখিনি লৈ আহিল। আৰু তাৰ পাছত চোৰটোক ফাটেকৰ বৰমূৰীয়াই জোঁৰাই ৰখাদি ৰাখিবলৈ ধৰিলে।

কেইদিনমানৰ পাছত চোৰটোৱে ফাটেকৰ বৰমূৰীয়াক পুনৰ ক'লে, "এই ফাটেকৰ পিছফালে যিখন সাঁকো আছে, সেই সাঁকোৰ সোঁফালে ভালেমান ৰূপৰ মুদ্ৰা শিল এচটাৰ তলত থৈ দিছোঁ। আপুনি লয় যদি—নথৈ আনন্দ পাম।"

সাঁকোৰ ওপৰেদি মানুহৰ বৰ আহ-যাহ। গতিকে বৰমূৰীয়াই গভীৰ নিশা মুদ্ৰাখিনি লৈ আহিলগৈ। ইয়াত এশ ৰূপৰ মুদ্ৰাৰ লগত ভালেখিনি সোণও আছিল। আটাইখিনি পাই ফাটেকৰ বৰমূৰীয়াই তপিনাত গোৰ লগাই নাচিবলৈ ধৰিলে আৰু চোৰটোকে তেওঁ দেৱদূত দেখাদি দেখি থাকিল।

তাৰ পাছত, বহুদিনৰ পাছত এদিন চোৰটোৱে ফাটেকৰ বৰমূৰীয়াক ক'লে, "ককাইদেউ, আপোনাক মনৰ কথা নকৈনো কাক ক'ম? আপুনি যদি অনুমতি দিয়ে, এনিশা ঘৰলৈ যোৱাৰ বৰ মন। ৰাতি নৌ পুৱাওঁতেই মই নিশ্চয় পুনৰ ফাটেকত সোমামহি। মই দেৱাল বগাই যোৱা-অহা কৰিম।"

ফাটেকৰ বৰমূৰীয়াই আৰু কি কৰে। দিলে অনুমতি। গ'ল চোৰটো তাৰ ঘৰলৈ। আৰু বোৱাৰীপুৱাতে পুনৰ কথামতে উভতি আহি বৰমূৰীয়াক টোপনিৰপৰা জগাই ক'লেহি, "ককাইদেউ, 'মই আহিলোঁ, চকু মেলি চাওক।"

সি আকৌ এনিশা ঘৰলৈ গ'ল, আৰু কথামতে ঘূৰিও আহিল। ফাটেকৰ বৰমূৰীয়াই অত্যন্ত ভাল পাই তাক ক'লে, "মই তোমাক বৰ ভাল পাইছোঁ, তুমি কথামতে কাম কৰাত।"

"কী যে কয়, ককাইদেউ—মই নিজৰ

ঘৰলৈ গৈছিলোঁ, আনকি মই আপোনাৰ ঘৰলৈকো গৈছিলোঁ। আপুনি আপোনাৰ ঘৰতে তাৰ প্ৰমাণ পাব। যিমানদিন আপোনাৰ ইয়াত আছোঁ—ইটো-সিটো দি থাকিম আৰু।" সি ক'লে।

এনেতে ফাটেকৰ বৰমূৰীয়াৰ ৰিবিয়ে ফুচফুচাই বৰমূৰীয়াক ক'লেহি, "আমাৰ ঘৰৰ বাৰাণ্ডাত এসোপা সোণ-ৰূপ পৰি আছে, চাই আহাঁগৈ—যোৱা।"

ফাটেকৰ বৰমূৰীয়াই কিন্তু নুবুজাকৈ নাথাকিল যে কথা কি। তেওঁ তেওঁৰ বিবিক মনে মনে থাকিবলৈ ক'লে।

ইপিনে 'মই আহিলোঁ' চোৰে কেইবা-ঘৰতো চুৰি কৰাত গৃহস্থইঁতে ছুলতানৰ ওচৰত গোচৰ তৰিলেগৈ। চুৰি হোৱা প্ৰতিজন গৃহস্থৰ দেৱালত লিখা আছিল 'মই আহিলোঁ' 'মই আহিলোঁ'।

প্ৰহৰীইঁতে ধৰি অনা সেই চোৰটো তেতিয়ালৈকো ফাটেকত আটক, তথাপি ৰাতিৰ পাছত ৰাতি 'মই আহিলোঁ' চোৰে চুৰি কৰাৰ দেখ দেখ প্ৰমাণ পাই বিচাৰকে দৃঢ়তাৰে ক'লে যে, এই মানুহজন চোৰ হ'বই নোৱাৰে, আচল চোৰ ফাটেকৰ বাহিৰতহে আছে।

বিচাৰকে ফাটেকত থকা প্ৰকৃত 'মই আহিলোঁ' চোৰটোক তৎক্ষণাৎ মুক্তি দিলে। তাক মুক্তি দিয়াৰ পাছত ফাটেকৰ বৰমূৰীয়াই বুজি পালে যে তেওঁ যিকেইনিশা তাক ঘৰলৈ যাবলৈ দিছিল, প্ৰতি নিশাই সি আৰ-তাৰ ঘৰত চুৰি কৰিলে। কিন্তু ফাটেকৰ বৰমূৰীয়াই এই বিষয়ে একো উচ্চবাচ্য কৰিব নোৱৰা হ'ল। তেওঁ বাধ্যত পৰি মনে মনে থাকিল। আৰু সকলো কথা জনা সত্বেও তেওঁৰ হুচকুৰ আগেদি আচল 'মই আহিলোঁ'ই বুকু ফিন্দাই ফাটেকৰ-পৰা ওলাই গ'ল। যোৱাৰ আগতে সিবৰ-মূৰীয়াক ক'লে, "জনাব, 'মই আহিলোঁ'।"

শিৱলীলা

২

মাতৃৰ কথা শুনি সিদ্ধৰামে আনন্দিত হৈ ক'লে, "তেনেহ'লে দীপাৱলী উপলক্ষে আমি ভিনিহিদেউ আৰু বাইদেউক লৈ আহিব নোৱাৰিমনে, মা? মই ভিনিহিদেউক কেতিয়াও দেখা নাই, ময়ে তেওঁক আনিবলৈ যাম, কেনে মজা হ'ব!"

সিদ্ধৰামৰ মাকে সিদ্ধৰামক ক'লে, "চোৱাঁ, বোপা, তোমাৰ দেউতাৰ সিফলীয়া হোৱাৰপৰা আন কোনেও তেওঁলোকক আনিবলৈ যোৱা নাই। তুমি ইমান সৰু ল'ৰা, তুমিনো কেনেকৈ যাবা তালৈ? বাটত অৰণ্য আছে, আৰু অৰণ্যত আছে বাঘ, সিংহ, ভল্লুক, নানান ধৰণৰ বিষাক্ত সাপ—আৰু যে কত কি! আটাইতকৈ ডাঙৰ কথা হ'ল যে তোমাৰ ভিনিহিদেউৰা হ'ল সম্পদৱান। আমাৰ দৰে দুখীয়াৰ ঘৰলৈ আহিব কিয়? আৰু, তোমাৰ ভিনিহিয়েৰ অকলে ক'লৈকো নোলায়, তেওঁৰ লগত বিৰাট দল-বল থাকে। আগতে ডাঙৰ হোৱাঁ, আয়-উপাৰ্জন কৰাঁ, তাৰ পাছত তেওঁক আনিবাগৈ। এতিয়া যদি আনা—খুৱাবানো কি?"

সিদ্ধৰামে এই কথাৰ উত্তৰত একো নক'লে। পাছদিনা ৰাতিপুৱাতে সি ওলাল। গৈ গৈ অৰণ্য পালে; কিন্তু সিদ্ধৰামে অলপো ভয় নাখালে। বাটকৰা কেইজনমানক মলিকাৰ্জুনৰ কথা সোধাত



সিদ্ধৰামৰ বৰ অভিমান হ'ল। সি ভাবিলে: মই যদি ভিনিহিদেউ আৰু বাইদেউৰ আগত মৰোঁ, তেনেহ'লে তেওঁলোকেই মোৰ মৃত্যুৰ বাবে দায়ী হ'ব। এই ভাবি সি এটা পাহাৰ বগাই টিঙত উঠিলগৈ। তাৰপৰা জঁপিয়াই পৰি সিদ্ধৰামে আত্মঘাতী হ'ব।

আৰু ঠিক তেতিয়াই পিছফালপৰা কোনোবাই সুধিলে, "তুমিনো কোন?"

সোধোঁতাজন আছিল আধাপুৰুষ আৰু আধা নাৰী।

সিদ্ধৰামে ঘূৰাই সুধিলে, "তুমি কোন? মোৰ বাইদেউ আৰু ভিনিহিদেউ আমাৰ ঘৰলৈ নোযোৱা দেখি মই আত্মঘাতী হোৱাটোকে খাটাং কৰিছিলোঁ। তুমি মোক বাধা দিলা কিয় কোৱাচোন?"

তেতিয়া এই অৰ্ধপুৰুষ-অৰ্ধনাৰীয়ে ক'লে, "চোৱাঁ, তুমি আমাক চিনি পোৱা নাই। মই তোমাৰ বাইদেউ আৰু তেওঁ হ'ল তোমাৰ ভিনিহিয়েৰ। তুমি আমাক বিচাৰি থকা বুলি শুনি আমি পোনে পোনেই তোমাৰ ওচৰলৈ আহিলোঁ।"

আনন্দত আকুল চিতেৰে সিদ্ধৰামে তাৰ ভিনিহিদেউক প্ৰণাম কৰিলে। তেওঁলোকে সিদ্ধৰামক তাত থকা চিনাকি কৰাই দিলে সকলোটিৰ সৈতে।

আটাইকেইজনেই তাক অলপমান দূৰৈত থকা এটা মন্দিৰ দেখুৱাই দিলে।

*

সিদ্ধৰাম সেই মন্দিৰলৈ গ'ল; কিন্তু তাত শিৱৰ মূৰ্তিৰ বাহিৰে একো দেখা নাপালে সি। তথাপি সেই শিৱলিংগৰ আগত বহি ক'লে, "ভিনিহিদেউ, তোমাক আৰু বাইদেউক দীপান্বিতা উপলক্ষ্যে মই আমাৰ ঘৰলৈ লৈ যাবলৈ আহিছোঁ। তোমালোক মোৰ লগত আমাৰ ঘৰলৈ ব'লা, ভাল পাবা।"

কিন্তু সিদ্ধৰামে তাৰ কথাৰ একো উত্তৰ নোপোৱা হ'ল। এই কথাত



শিৱ-পাৰ্বতী অহাৰ লগে লগে সিদ্ধৰামহঁত পঁজাঘৰটো এটা অট্টালিকালৈ ৰূপান্তৰিত হ'ল। চুবুৰীয়াহঁতো কথা-কাণ্ড দেখি একেবাৰে বিস্মিত-বিহ্বল।

দীপান্বিতাৰ দিন-ৰাতি তাতে থাকি, পাছদিনা আনন্দৰে আত্মহাৰা শিৱ-পাৰ্বতীয়ে সিদ্ধৰাম আৰু তাৰ মাতৃক লগত লৈ পুনৰ কৈলাসলৈ উভতি গ'ল।

*

গয়াসুৰ নামৰ এজন দানৱ আছিল। অন্যান্য লোক অধিকাৰ কৰাৰ অন্তত গয়াসুৰ কৈলাস অক্ৰামণ কৰিবলৈ আগবাঢ়িল। শিৱই তেওঁৰ জ'টা খুলি ভয়ংকৰ ৰূপ ধাৰণ কৰি গয়াসুৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হ'ল। শিৱৰ জ'টাৰপৰা ঘোঁৰাৰ আকাৰৰ এক মূৰ্তি ওলাল। এই ভয়ানক মূৰ্তি দেখি ভয়ংকৰ ভয় খাই গয়াসুৰে ধাৰৰ নল কঁপা দি কঁপিবলৈ ধৰিলে। তাৰ পাছত এই অৱস্থা দেখি দেৱাদিদেৱ শিৱৰ মনত গয়াসুৰলৈ দয়া উপজিল আৰু সদাশিৱ শিৱই গয়াসুৰক পৰিপূৰ্ণভাৱে অভয় দিলে।

শিৱৰ জ'টাৰপৰা ওলোৱা সেই ভয়ানক মূৰ্তিয়ে চিৎকাৰ কৰি ক'লে, "মোক খাদ্য লাগে—খাদ্য দিয়া।"

শিৱই নিৰ্দেশ দিলে, "তোমাৰ নিজ

ইপিনে—সিদ্ধৰামক ঘৰত বিচাৰি নাপাই তাৰ মাতৃ-পিতৃয়ে চাৰিওফালে বিচাৰি থাকিল। তেতিয়া সিদ্ধৰাম শ্ৰীশৈল শিখৰত বাস কৰি আছিল।

*

কিছুদিনৰ পাছত, দীপান্বিতাৰ দিনা ধলপুৱাতে বাইদেউ-ভিনিহিদেউক লগত লৈ সিদ্ধৰাম ঘৰলৈ আহিল। এওঁলোকক দেখি সিদ্ধৰামৰ মাক হতবাক হৈ পৰিল। শিৱ-পাৰ্বতীৰ লগত গণেশ আৰু কাৰ্তিকো সিদ্ধৰামহঁৰ ঘৰলৈ আহিছিল। বিস্মিত সিদ্ধৰামৰ মাতৃয়ে সকলোটিক আথেবেথে ঘৰত বহুৱালে।



দেহক খাই ভোক গুচোৱাঁ।”

শিৱৰ নিৰ্দেশমতে সেই ভয়ানক মূৰ্তিয়ে তাৰ মুখখন বাদে গোটেই দেহটোক তৎক্ষণাৎ খাই পেলালে।

দেৱাদিদেৱে শিৱই তেতিয়া তাৰ নামকৰণ কৰিলে—কীৰ্তিমুখ। শিৱই তেতিয়া কীৰ্তিমুখক ক'লে, “শুনা কীৰ্তি-মুখ, তুমি প্ৰতি গৰাকী দেৱতাৰ মস্তকোপৰি অৱস্থান কৰি আজিৰপৰা এই জগতত কীৰিতি আৰ্জি থাকিবাঁ।” আৰু তেতিয়াৰপৰা দেৱতাসকলৰ মস্তকৰ ওপৰত ভয়ানক কীৰ্তিমুখ সদায় অৱস্থিত হ'ল।

*

দুৰ্বাসামুনিয়ে বদৰিকাশ্ৰমত তপস্যা কৰিছিল। এদিন দুপৰীয়া দেৱতাসকলে অৰ্চনা কৰাৰ অন্তত তেওঁ হৰিণা-পোৱালিহঁতক খাবলৈ দিলে আৰু ঠিক তেতিয়াই সেই ঠাইত তুম্বুৰু নামৰ এক প্ৰমথই সস্ত্ৰীক আকাশ-পথেৰে গৈ থাকোঁতে হৰিণা-পোৱালিহঁতক ভয় খুউৰাত পোৱালিহঁত পলাই গ'ল। এই কথাত দুৰ্বাসাৰ উগ্ৰ খং উঠিল আৰু তুম্বুৰুক অভিশাপ দিলে, “তুমি অনতি-পলমে মানুহৰ জন্ম গ্ৰহণ কৰাঁ।”

*

তুম্বুৰুৱে আকাশৰপৰা নামি আহি দুৰ্বাসাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু ক'লে, “প্ৰভু, মই হৰিণা-পোৱালিহঁতৰ লগত খেলি আছিলোঁহে। মোক আপুনি দয়া কৰক আৰু যেনেতেনে পাপমুক্ত কৰক। কিন্তু তথাপি যদি মানুহৰ জন্ম ল'ব লাগে—মই শিৱভক্ত হৈ থাকিব পাৰোঁ যেন—দয়া কৰি এই আশীৰ্বাদ দিয়ক।”

তুম্বুৰুৰ প্ৰাৰ্থনাত দুৰ্বাসাৰ প্ৰাণত তুম্বুৰুলৈ পুতৌ উপজিল আৰু সন্মত হ'ল।

কিন্তু দুৰ্বাসাৰ অভিশাপ ফলৱতী হ'ল। তুম্বুৰুৱে কাঞ্চিপুৰৰ বৈশ্যহঁতৰ ঘৰত জনম ল'লে। তুম্বুৰুৰ নাম হ'ল

চিকতোণ্ডা। ডাঙৰ হৈ চিকতোণ্ডাই বিয়া কৰালে। চিকতোণ্ডাৰূপী তুম্বুৰুৰ এইজন পুত্ৰৰ নাম হ'ল ছিৰিয়াল।

*

চিকতোণ্ডা বীৰশৈৱাচাৰ্য্য হ'ল। তেওঁ একাম্ৰনাথৰ অৰ্চনা কৰিবলৈ ধৰিলে। শিৱভক্তসকলে যিদিনাই যি খাব খুজিছিল, তেওঁ ভক্তসকলক সেই বস্তু খাবলৈ দিছিল।

এদিন চিকতোণ্ডাৰ ঘৰলৈ এজন শিৱভক্ত আহিল। সেই শিৱভক্তই চিকতোণ্ডাক আশীৰ্বাদ কৰি ক'লে, "মই প্ৰতিদিন শিৱৰ নামত কুঁহিয়াৰৰ ৰস উছৰ্গা কৰোঁ। এতিয়া এচৰিয়া কুঁহিয়াৰৰ ৰস লাগে মোক।"

কুঁহিয়াৰৰ ৰস গোটাবলৈ চিকতোণ্ডা আনন্দৰে ওলাল। কমেও এশডাল কুঁহিয়াৰ লাগিব। আৰু যদি ইমানবোৰ কুঁহিয়াৰ তেওঁ পায়ো, কঢ়িয়াই আনে কেনেকৈ? ইমান শক্তি তেওঁৰ নাই। এনে অৱস্থাত—স্বয়ং শিৱই সেই এশডাল কুঁহিয়াৰ মূৰত উঠাই কঢ়িয়াই লৈ আহিল। লৈ অহাৰ পাছ মুহূৰ্ততে কুঁহিয়াৰ-কঢ়িউৱাজনক আৰু দেখা নগ'ল। অৰ্থাৎ শিৱ অদৃশ্য হৈ পৰিল। মানুহজনক নিমিষতে অদৃশ্য হোৱা দেখি চিকতোণ্ডা দস্তুৰমত বিস্মিত হ'ল।

*

শিৱ যেতিয়া কৈলাস পালেহি, তেতিয়া শিৱ ঘামি-জামি লুতুৰি-পুতুৰি হৈ পৰিছিল।

পাৰ্বতীয়ে এই অৱস্থাৰ কাৰণ কি সোধাত শিৱে চিকতোণ্ডাৰ কথা কোৱাৰ অন্তত পুনৰ ক'লে, "মোৰ ভক্তই এশডাল কুঁহিয়াৰ কঢ়িয়াব নোৱাৰিছিল, মই কঢ়িয়াই লৈ গ'লোঁ। ভক্তৰ বোজা কঢ়িয়াই বৰ আনন্দ লভিলোঁ।"

শিৱৰ কথা শুনি পাৰ্বতীয়ে এইজন ভক্তক চোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে।

বিচাৰৰ চৰ্ত

চম্পকদেশৰ ৰজাৰ নাম আছিল লীলাধৰ, ৰাণীৰ নাম লীলাময়ী। ৰজাই ৰাণীক অতি মৰম কৰিছিল। কোনো কথাত ৰাণীয়ে দুখ পোৱাটো ৰজাই সহিব নোৱাৰিছিল, ৰাণীৰ কোনো ইচ্ছা অপূৰ্ণ হৈ থকাটো ৰজাই নিবিচাৰিছিল।

ৰাণী লীলাময়ীৰ ভায়েকৰ নাম নাগবৰ্মা। নাগবৰ্মাই প্ৰায়েই তাৰ বায়েকৰ ঘৰলৈ আহিছিল, থাকিছিল, আৰু ৰাজকৰ্মচাৰীহঁতৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। নাগবৰ্মাই তাৰ বিলাসী জীৱন চলাবলৈ কৃষক-শ্ৰমিকহঁতৰ ওপৰত জুলুম কৰি ধন আদায় কৰিছিল। এই কামত ৰজাৰ অনুমতি থকা ভাবি বুলি কোনেও প্ৰতিবাদ নকৰিছিল; কিন্তু ৰজাই এইবোৰ কথাৰ একোৱেই গম নাপাইছিল।

কিছুদিনৰ অন্তত নাগবৰ্মাৰ অত্যাচাৰৰ কথা ৰাজকৰ্মচাৰীসকলে ৰজাক ক'লে। ৰজাই ভাবিলে: মই যদি নাগবৰ্মাক কিবা কওঁ, লীলাময়ীয়ে দুখ পাব। মই কেনেকৈনো তাইক দুখ দিওঁ? —এই কথা ভাবি ৰজাই নাগবৰ্মাক একো নোকোৱা হ'ল।

এদিন দুটা ঘোঁৰা লৈ জয়মল্ল নামৰ এজন যুৱক ৰাজধানীলৈ আহিল, ঘোঁৰা দুটা সি বেচিব। ঘোঁৰা দুটা দেখা পাই নাগবৰ্মা জয়মল্লৰ কাষ চাপিলে।

নাগবৰ্মাই জয়মল্লক ক'লে, "তুমি যে ঘোঁৰা দুটাক বেচিবলৈ লৈ আহিছা, কৰ দিব লাগিব যে জানানে নাজানা? আৰু—কৰ দিব নোৱাৰা যদি, এটা ঘোঁৰা

'অগ্নিশৰ্মা'

দিব লাগিব। পঞ্চাছ মুদ্ৰা কৰ, বা এটা ঘোঁৰা দিবই লাগিব।”

জয়মল্লই ক’লে, “ঘোঁৰা এটাও বিক্ৰিয়েই নহ’ল, টকা দিম ক’ৰপৰা ?”

নাগবৰ্মাই ক্ৰুদ্ধ কণ্ঠেৰে ক’লে, “কি ! মোৰ কথাৰ প্ৰতিবাদ— ?” এই বুলি কৈয়েই নাগবৰ্মাই জয়মল্লক চৰিয়ালে।

আৰু জয়মল্লয়ো তৰোৱালৰ উলিয়াই নাগবৰ্মাক আক্ৰমণ কৰিবলৈ খেদি গ’ল। তৰোৱালৰ কোবত ক্ষত-বিক্ষত হৈ নাগবৰ্মা কথমপি পলাই সাৰিল।

নাগবৰ্মাই ৰজাৰ ওচৰত গোচৰ তৰিলেগৈ। ৰজাই প্ৰহৰীহঁতক আদেশ দিলে, “জয়মল্লক এতিয়াই বন্দী কৰি লৈ আহাগৈ। এটা ঘোঁৰা-বেচোঁতাৰ এনে স্পৰ্ধা সহ্য কৰিব নোৱাৰি !”

তেতিয়া মহামন্ত্ৰীয়ে ৰজাক কৈ উঠিল, “মহাৰাজ, ঘোঁৰা-বেচোঁতাক কঠিন দণ্ড দিয়াৰ আগতে তাতে উপস্থিত থকা অন্যান্য মানুহৰ সাক্ষ্য লোৱা ভাল হ’ব বুলি ভাবোঁ।”

এনেতে ৰাণী লীলাময়ী তাত উপস্থিত হ’লহি। ৰাণীয়ে মন্ত্ৰীৰ কথালৈ উপেক্ষা প্ৰদৰ্শন কৰি ক’লে, “মহাৰাজ. এটা নগণ্য ঘোঁৰা-বেচোঁতাই আপোনাৰ পৰমাত্মীয়ক তৰোৱালেৰে আক্ৰমণ কৰাটো এক ডাঙৰ অপৰাধ নহয়নে ? মোৰ মতে— জয়মল্লক এতিয়াই শাস্তি বিহিলেহে

উচিত কাম হ'ব।" এই বুলি কৈয়েই ৰাণী অন্তেষপুৰলৈ গ'লগৈ।

আন কোনেও একো নক'লে। লগে লগে ৰাজপ্ৰহীহঁত ওলাই পৰিল জয়মল্লক ধৰি আনিবলৈ। অলপ পাছত সিহঁতে জয়মল্লক ধৰি লৈ আহিল।

কেনেকুৱা পৰিস্থিতিত নাগবৰ্মাৰ বিৰুদ্ধে তৰোৱাল দাঙিবলৈ বাধ্য হৈছিল, জয়মল্লই ৰজাক সেই কথা বুজাবলৈ চেষ্টা কৰিলে।

নাগবৰ্মায়েই যে প্ৰকৃত দোষী, ৰজায়ো নুবুজাকৈ নাথাকিল। তথাপি ৰাণীক তুষ্ট কৰিবলৈ ৰজাই জয়মল্লক ফাঁচীৰ জৰীত ওলোমাবলৈ আদেশ জাৰী কৰিলে। জয়মল্লক কাৰাগাৰলৈ লৈ যোৱা হ'ল, পাছদিনা পুৱাৰ পৰতে ফাঁচী হ'ব।

এফালে জয়মল্লক ফাঁচী দিবলৈ আয়োজন চলি আছিল, আৰু অন্য ফালে ৰজাৰ মন দুঃখ-ভাৰাক্ৰান্ত হৈ উঠিছিল। সেই নিশা ৰজাৰ চকুত টোপনি নহা হ'ল। ৰজাই গভীৰ ৰাতিলৈকে পাইচাৰী কৰি থাকিল। আৰু অৱশেষত ৰজাই তেওঁৰ মহামন্ত্ৰীক মতাই অনাই সুধিলে, "মহামন্ত্ৰী, ৰাণী অসন্তুষ্ট নহ'ব, আৰু জয়মল্লৰো প্ৰাণ ৰক্ষা হ'ব—এনেকুৱা কিবা কৰিব পাৰিনে?"

মহামন্ত্ৰীয়ে কেইমুহূৰ্তমান ভাবি লৈ ক'লে, "উপায়—নিশ্চয় ওলাব। জয়মল্লই মহাৰাণী আৰু নাগবৰ্মাৰ ওচৰত ক্ষমা

প্ৰাৰ্থনা কৰি প্ৰাণভিক্ষা কৰিলেই হ'ব।"

ৰজাই তেওঁৰ মহামন্ত্ৰীক লগত লৈ তৎক্ষণাৎ কাৰাগাৰলৈ গ'ল আৰু জয়মল্লক এই কথাটো ক'লেগৈ।

ৰজাৰ কথাৰ উত্তৰত জয়মল্লই ক'লে, "মহাৰাজ, আৰু অলপ সময়ৰ পাছত শ্ৰেষ্ঠ বিচাৰালয় পামগৈ। গতিকে—মই কিয় অন্যায় নকৰাকৈ ক্ষমা প্ৰাৰ্থনা কৰিম, বা অকাৰণে প্ৰাণভিক্ষা খুজিম? এইবোৰত মোৰ একো প্ৰয়োজন নাই।"

জয়মল্লৰ কথা শুনি ৰজা ক্ৰুদ্ধ হৈ উঠিল, আৰু তেওঁ ক'লে, "এই দেশত মোৰ বিচাৰকহে শ্ৰেষ্ঠ বিচাৰ, মোৰ বিচাৰালয়ক শ্ৰেষ্ঠ বিচাৰালয় বুলি কোৱা হয়। তাৰ ওপৰত আৰু একো নাই।"

ৰজাৰ কথা শুনি অলপো নদমি, নিৰ্ভীকভাৱে জয়মল্লই ক'লে, "মহাৰাজ, পৃথিৱীৰ মাটিত থকা যিকোনো ৰজা হ'ল ঈশ্বৰৰ প্ৰতিনিধি। ৰজা এগৰাকীয়ে ঈশ্বৰৰ হৈ নিৰপেক্ষ বিচাৰ কৰাত অংগীকৃত। কোনোবা ৰজাই যদি নিৰপেক্ষ বিচাৰ নকৰে, তেতিয়া ঈশ্বৰৰ ওচৰত নিৰপেক্ষ বিচাৰ প্ৰাৰ্থনা কৰিব লাগিব। আপুনি নিৰ্দ্বিধাই মোক ফাঁচীত ওলোমাওক। মৃত্যুৰ পাছত মই ঈশ্বৰৰ ওচৰত আপোনাৰ নামত গোচৰ তৰিম।"

তেতিয়াহে ৰজাৰ জ্ঞানোদয় হ'ল। বিচাৰ কৰোঁতে যে নিৰপেক্ষতা এক অপৰিহাৰ্য্য চৰ্ত—তেতিয়াহে সেই নীতি-বাক্য তেওঁৰ মনত পৰিল।

ৰজা লীলাধৰে তৎক্ষণাৎ জয়মল্লক মুক্তি দিলে, আৰু এই ঘটনাৰ পাছৰপৰা প্ৰতিটো বিচাৰ সম্পূৰ্ণ নিৰপেক্ষতাৰে কৰিবলৈ ধৰিলে।

পৰৱৰ্তীকালত কেৱল ৰজা হিচাপেই নহয়, এগৰাকী ন্যায়ৰান তথা নিৰপেক্ষ বিচাৰক ৰূপেও মহাৰাজ লীলাধৰ দেশ-বিদেশত প্ৰশংসিত হৈছিল।



প্ৰতিষ্ঠা আৰু পৰাজয়

নাগপুৰৰ অন্যতম শ্ৰেষ্ঠ ব্যৱসায়ী বৰুণৰ বন্ধু আছিল শেষনাথ। এদিন শেষনাথে বৰুণক ক'লে, "জীৱনত দুখ-কষ্ট ঢেৰ পালোঁ, আঘাতো কম পোৱা নাই। এতিয়া অৱস্থা আৰু বেয়ালৈ ঢাল ল'লে। মা-দেউতা-পৰিবাৰ ল'ৰা-ছোৱালী কাকো খুৱাব-পিন্ধাব পৰা নাই ঠিকমতে। তুমি মোৰ সৰুকালৰ বন্ধু। বিপদত পৰিলেই তোমাক মনত পৰে, তুমি বিনে মোৰ আপোন বোলা কোনো আৰু নাই।"

বৰুণ আৰু শেষনাথ আছিল সৰুৰে-পৰাই গহীন-গম্ভীৰ, আৰু বৰুণ আছিল বৰকথকী। বৰুণে সদায় কিবা নহয় কিবা গণ্ডগোল কৰিছিল, আৰু দায়-দোষ শেষনাথৰ ওপৰত জাপি দিছিল। পিছে—তাৰ বন্ধু শেষনাথে বৰুণক কেতিয়াও ৰাইজৰ আগত অপদস্থ নকৰিছিল।

দিনৰ পাছত দিন ধৰি শেষনাথৰ এই ত্যাগস্বীকাৰ বৰুণৰ কৃতজ্ঞতাৰ বিষয় হৈ উঠিল। তাৰ পাছত ব্যৱসায় কৰিবলৈ বৰুণ গ'ল নগৰলৈ, তাত বেহা-বেপাৰ কৰি সি ৰইনাই দি কোঁচালে; কিন্তু শেষনাথে গাঁৱতে থাকি দিনভিক্ষা প্ৰাণ-ৰক্ষা কৰি থাকিল।

এদিন বৰুণে শেষনাথক ক'লে, "ভাই শেষনাথ তোমাৰ নিচিনা বন্ধুৰ বিপদত মই যদি সহায় কৰিব নোৱাৰোঁ, তেনেহ'লে মোৰ এই জীৱন মূল্যহীন হ'ব। তুমি গাঁও এৰি ইয়ালৈ গুচি আহাঁ। পৰিপূৰ্ণকৈ আশ্বাস দিছোঁ, তোমাক মই মোৰ ব্যৱসায়ৰ অংশীদাৰ কৰি ল'ম। গাঁৱৰ মাটি-বাৰী বেচি ইয়ালে আহাঁ যদি, মই

সকলোফালেৰপৰা তোমাৰ দায়িত্ব ল'ম।"

শেষনাথে বৰুণৰ কথামতে কাম কৰিলে। বৰুণে শেষনাথৰ কাৰণে ঘৰ এটা কিনি দিলে। লাগতিয়াল সকলো বয়-বস্তু দিলে, আৰু তাৰোপৰি মাহেকত এহেজাৰকৈ টকাও শেষনাথক দি থাকিল। শেষনাথৰ জীৱনত যেনিবা সুখৰ জোৱাৰ উঠিল। বৰুণক শেষনাথে দেৱতা দেখা দি দেখি থাকিল।

এদিন বৰুণে শেষনাথক ক'লে, "শেষনাথ, তুমি মোৰ তলতীয়া হিচাপে মোৰ চাকৰি কৰিছা বুলি নাভাবিবা যেন। মোৰ ব্যৱসায়ৰ ক্ষেত্ৰত তুমি হ'লা লখিমী। তুমি যোগ দিয়াৰপৰা মোৰ দোপত দোপে উন্নতি হৈছে। মোৰ যদি কিবা ভুল হয়, তুমি শুধৰাই দিবাচোন।"

কিন্তু বৰুণৰ ত্ৰুটি কিবা দেখা পালেও শেষনাথে তাক একো কোৱা নাছিল। সি সদায় বৰুণৰ কামৰ প্ৰশংসাহে কৰিছিল।

*

আচল কথা হ'ল—শেষনাথৰ বাস্তৱ-জ্ঞান আছিল অতি প্ৰখৰ। শেষনাথে যে সুপৰামৰ্শ দিব পাৰে, সেই কথা কিছুদিনৰ ভিতৰত নগৰত বিয়পি পৰিল। তাৰ ফলত বিভিন্ন শ্ৰেণীৰ মানুহে বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শৰ বাবে শেষনাথৰ কাষ চাপিছিল। এইবোৰ কথা অ'ৰপৰা ভ'ৰপৰা বৰুণেও নজনাকৈ নাছিল।

এদিন বৰুণে শেষনাথক ক'লে, "তুমি ইমান মানুহক দিহা-পৰামৰ্শ দিয়া ; কিন্তু মোক কোনো দিনে একো নোকোৱা দেখোন। তাৰ কাৰণনো কি মোক অলপ বুজাই ক'বানে বন্ধু ?"

"তোমাৰ কিবা ভুল হ'লেহে ক'ম ?" শেষনাথে বৰুণক ক'লে।

শেষনাথৰ কথাত বৰুণে ভালেই পালে।

*

বৰুণৰ এটি ল'ৰা আছিল। ল'ৰাটিয়ে এজনী দুখীয়া ঘৰৰ ছোৱালীক বিয়া

কৰাৰ বুলি খাটাং কৰাত বৰুণ মান্তি নহ'ল। তেতিয়া ল'ৰাটোৱে ঘৰ এৰি গুচি যাব বুলি ক'লে।

"যায় যদি যাওক। দাৰিদ্ৰ্য কেনে বস্তু—এদিন গম পাব লাগিব সি।" বৰুণে এই কথা কোৱাত শেষনাথেও বৰুণৰ কথাত মূৰ দুপিয়ালে।



ঠিক তেতিয়াই বৰুণৰ এজন ব্যৱসায়ী বন্ধুও তাত উপস্থিত হ'লহি। তাৰ নাম ধনগুপ্ত। ধনগুপ্তৰ ল'ৰাটোৱেও দুখীয়া ছোৱালী এজনীক বিয়া কৰাইছিল। সেই ছোৱালীজনীয়ে কেনেকৈ নিজক পৰিয়ালত খাপ খুৱাই লৈছে—সেইবোৰ কথা বৰুণৰ জনাৰ বৰ মন গ'ল।

বৰুণ ধনগুপ্তৰ ঘৰলৈ গ'ল। ধনগুপ্তই বৰুণক ক'লে, "শুনা, তুমি তোমাৰ ল'ৰাটোৰ বিয়াত মত দিয়াহেঁতেন সিহঁতহালে চিৰদিনৰ বাবে তোমাৰ ওচৰত কৃতজ্ঞ হৈ থাকিলহেঁতেন। তুমি তোমাৰ ল'ৰাটোক ঘৰবপৰা উলিয়াই দিয়া যদি তোমাৰ পৰিবাৰৰ কিমান অশান্তি হ'ব ভাবাচোন। কেৱল টকাৰেই তো নহ'ব, জীৱনত সুখ পাবলৈ হ'লে মনত শান্তিও তো পাব লাগিব।"

বৰুণে ধনগুপ্তৰ কথাত ভাল পাই ক'লে "তোমাৰ যে ইমান বুদ্ধি আছে—মই ভাবিবই পৰা নাছিলোঁ। মোৰ পৰম বন্ধু শেষনাথে সকলোকে পৰামৰ্শ দিয়ে; কিন্তু মোৰ বিপদত সি একো নকয়।"

"কি কোৱাঁহে!" ধনগুপ্তই ক'লে, "মই দেখোন শেষনাথৰ পৰামৰ্শমতে ল'ৰাৰ এই বিয়াত মত দিছিলোঁ!"

এই কথা শুনি দস্তুৰমত অবাক হৈ বৰুণ ঘৰমুৱা হ'ল। সি ভাবিলে: শেষনাথক মই এইবাৰ চাই ল'ম। মোৰ সুখ-শান্তি তাৰ নিশ্চয় কাম্য নহয়; সি মোক ঈৰ্ষা কৰে চাগে'। —বৰুণে আৰু ভাবিলে: আৰু নহয়, ঢেৰ হ'ল। আন কাৰো লগত কেতিয়াও বন্ধুতা নাপাতোঁ।

এই জীৱনত মই আৰু কাকো কেতিয়াও সহায় নকৰোঁ।

কিন্তু মনতে ভবা কথাবোৰ সি শেহলৈ ক'ব নোৱাৰিলে। এনে ধৰণৰ এটা প্ৰশ্নও বৰুণে শেষনাথক নুসুধিলে।

পাছদিনা বৰুণহঁতৰ কুলগুৰু সদানন্দ তালৈ আহিল। বৰুণে কুলগুৰুক শেষনাথৰ অকৃতজ্ঞতাৰ কথা ক'লে। কুলগুৰু সদানন্দই আচৰিত হৈ ক'লে, "কিনো কোৱা, বোপা! মই দেখোন শেষনাথৰ কথামতেহে ইয়ালৈ আহিলোঁ।"

কুলগুৰুৰ কথা শুনি ততোধিক অবাক হৈ বৰুণে ক'লে, "শেষনাথৰ যদি কিবা ক'বলগীয়া আছিল—মোক পোনে পোনেই নক'লে কিয়?"

সদানন্দই হাঁহি মাৰি ক'লে, "তুমি জীৱনত প্ৰতিষ্ঠিত হৈছা, শেষনাথ পৰাজিত হৈছে। তুমি তাক পা-পৰিয়ালে জীয়াই ৰাখিছা। সেই কাৰণে সি তোমাৰ কোনো কামৰ সমালোচনা কৰিব নোৱাৰে, সদায় সংকোচ বোধ কৰে।"

"মোৰপৰা সহায় লওঁতে সংকোচ নহয়, কেৱল মোক পৰামৰ্শৰ বেলিকাহে সংকোচ? এয়া কেনেকুৱা কথা মই বুজাত অক্ষম।" বৰুণে ক'লে।

সদানন্দই অতি গম্ভীৰভাৱে ক'লে, "শেষনাথ, এই সংকোচৰ বাবে দায়ী একমাত্ৰ তুমিহে।"

পোনতে বিভ্ৰান্ত হোৱা সত্বেও, পাছত কুলগুৰুৰ কথাৰ তাৎপৰ্য্য অনুধাৱন কৰি বৰুণে কুলগুৰুক সাষ্টাংগে প্ৰণাম কৰিলে।

শেষনাথৰ লগত বন্ধুৰ দৰে আচৰণ নকৰি সাহায্যকাৰীৰ দৰে আচৰণ কৰাত যে শেষনাথৰ মনত সংকোচৰ সৃষ্টি হৈছিল, সেই কথাটো পলমকৈ হলেও বৰুণে উপলব্ধি কৰি নিজক শুধৰাই লৈছিল।

এই ঘটনাৰ পাছৰপৰা বৰুণে শেষনাথৰ লগত প্ৰকৃত বন্ধুৰ দৰে আচৰণ কৰিছিল।



সাঁচতীয়া ধন

কামৰাজ আছিল যাক বোলে ধোঁৱাখুলীয়া। টকা পোৱামাত্ৰেই উৰাই দিছিল। কিন্তু এদিন হঠাৎ তাৰ মিতব্যয়ী হোৱাৰ মন হ'ল। এই বিষয়ত সি তাৰ পৰম বন্ধু ৰসিকৰপৰা পৰামৰ্শ খোজাত ৰসিকে তাক মাটিৰ পাত্ৰ এটা দিলে, আৰু এই পাত্ৰটোৰ ভিতৰত নিতৌ পইচা পেলাই সাঁচিবলৈ ক'লে।

সাতদিন ধৰি মাটিৰ পাত্ৰটোত পইচা সাঁচি, তাৰ পাছত হঠাৎ এদিন পাত্ৰটো ভাঙি পেলালে। তেতিয়া ৰসিকে কামৰাজক সৰুকৈ লোৰ চন্দুক এটা দিলে। চন্দুকৰ চাবি ৰসিকে এখন ফুলনিত থৈ দিলে। কিন্তু কামৰাজে ৰসিকৰ এই কাম নেদেখাকৈ নাছিল।

এসপ্তাহৰ অন্তত ৰসিক কামৰাজৰ ঘৰলৈ গ'ল। কামৰাজে তেতিয়া ফুলনিত চাবিপাত বিচাৰি আছিল। ৰসিকে প্ৰশ্ন কৰি জানিব পাৰিলে যে কামৰাজে যোৱা দুদিন ধৰি চাবিপাত বিচাৰি থকা সত্বেও বিচাৰি পোৱা নাই।

ৰসিকে হাহি মাৰি ক'লে, "যোৱা দুদিনৰ ভিতৰতো তোমাৰ প্ৰয়োজন নিমিটিলনে? সামান্য প্ৰয়োজনতে সঞ্চিত ধন খৰচ কৰাটো তোমাৰ এক অতি বেয়া অভ্যাস।"

কামৰাজে নিজৰ বেয়া অভ্যাসৰ কথা বুজি পাই মিচিকীয়াই হাহি মাৰি ৰসিকক ক'লে, "ৰসিক, যেনেকৈয়েই নহওক, তুমিয়েই মোক মিতব্যয়ী কৰি তুলিলা।"

বুদ্ধিমতী বিদ্যাৱতী

এখন গাঁৱত এজন হালোৱাৰ এটি বুদ্ধিমান ল'ৰা আছিল। ল'ৰাটিৰ ঘৈণীয়েক আছিল অধিক বুদ্ধিমতী।

এদিন হালোৱাৰ ল'ৰাটিয়ে—অৰ্থাৎ বুদ্ধিৰামে ঘৰৰ চোতালত বহি কিবাকিবি কৰি থাকোঁতে তাত তিনিটা ধুমক'লা মানুহ ওলালহি আৰু তাক ক'লে, "আমাৰ মহাৰাজে তোমাক মাতি পঠাইছে। আমাৰ ৰজা হ'ল সমুদ্ৰৰ ৰজা।"

এই ধুমক'লা যমৰ টেকেলাহেন দেখাত মানুহ তিনিটাক বুধিৰামে সুধিলে, "তোমালোকৰ ৰজাই মোক কিয় মাতিছে? কি কামতনো?"

"তুমি এই দেশৰ আটাইতকৈ বুদ্ধিমান মানুহ বুলি আমাৰ ৰজাই জানিছে। আমাৰ দেশৰ কোনোৱে কৰিব নোৱৰা কাম এটা কৰাবলৈহে ৰজাই তোমাক লৈ যাবলৈ আমাক পঠাইছে।" টেকেলা তিনিটাই ক'লে।

"বুদ্ধিৰ কথা কোৱা যদি—মোতকৈ মোৰ দেউতাৰ বুদ্ধি ঢেৰ বেছি। তেওঁক লৈ যোৱা। পিছে—দেউতা সাঁজ লাগি ভগাৰ পাছতহে ঘৰলৈ আহিব।" বুধিৰামে সিহঁতক ক'লে।

"শুনা, আমাৰ নাও সমুদ্ৰৰ ঘাটত বন্ধা আছে। কালিলৈ পুৱা তোমাৰ দেউতা আৰু তুমিও ঘাটলৈ আহিবা, আমি তোমালোকক আমাৰ দেশলৈ লৈ যাম। আমি আৰু নাহোঁ; কিন্তু সমুদ্ৰৰ ঘাটত ৰৈ থাকিম।" এই বুলি কৈ সিহঁত তিনিওটা তাৰপৰা গুচি গ'ল।

গধূলিৰ পাছত হালোৱা হলিৰাম

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



খেতি-পথাৰৰপৰা উভতি অহাৰ লগে লগে পুতেক বুধিৰামে ক'লে, "দেউতা. সমুদ্ৰৰ ৰজাই আমাক তেওঁলোকৰ দেশলৈ লৈ যাবলৈ টেকেলা পঠিয়াইছিল। তেওঁৰ কিবা এটা বিশেষ কাম কৰি দিব লাগিব হেনো। আমাক সমুদ্ৰ ৰজাই নিশ্চয় ঢেৰ কিবাকিবি উপহাৰ দিব।"

"সিহঁত যে ৰজাৰ মানুহ তাৰ কিবা চিন-মোকাম পাইছনে বাৰু?" হলিৰাম হালোৱাই তাৰ পুতেকক সুধিলে।

"সেইবোৰ মই সোধাও নাই, মনো কৰা নাই। সিহঁত আৰু নাহিব, আমিহে কালিলৈ ধলপুৱাতে সমুদ্ৰৰ ঘাটলৈ যাব লাগিব। তাৰপৰা সিহঁতে আমাক সিহঁতৰ ৰজাৰ ওচৰলৈ লৈ যাব সিহঁতৰ নাৱত উঠাই। আকৌ সিহঁতে আমাক ইয়াত থৈয়ো যাব নিশ্চয়।" বুধিৰামে ক'লে।

"সমুদ্ৰৰ ঘাট ইয়াৰপৰা কমেও এবেলাৰ বাট। মই এই বয়সত ইমান দূৰলৈ খোজ কাঢ়িব নোৱাৰিম।" এই বুলি কৈ, খাই-বৈ, হলিৰাম বিছনাত দীঘল দি পৰিল আৰু লগে লগে ঘোৰ্ঘোৰণি তুলি টোপনিত লাল-কাল দিলে।

*

বুধিৰামে তাৰ ঘৈণীয়েকক সুধিলে, "কি কৰোঁ কোৱাচোন, সমুদ্ৰৰ ৰজাই মাতি পঠিয়াইছে, নগ'লেও নহ'ব, ইপিনে দেউতাই হেনো ইমানদূৰ খোজ কাঢ়িব নোৱাৰিব। দেউতাৰ কাৰণে মই বাট বাট চমুৱাওঁনো কেনেকৈ?"

বুধিৰামৰ ঘৈণীয়েক বিষ্টাৰতীয়ে ক'লে, "বাট, চমুৱাব পাৰিবা। গল্প কৰি কৰি গৈ থাকিলে দূৰত্বই আমনি নিদিব।"

পাছদিনা ঢলপুৱাতে হালোৱা হলিৰাম আৰু বুধিৰাম ৰাওনা হ'ল সমুদ্ৰৰ ঘাটলৈ বুলি। গোটেই বাটছোৱা বুধিৰামে তাৰ ঘৈণীয়েকৰ কথামতে তাৰ দেউতাকৰ লগত গল্প কৰি কৰি গৈ থাকিল, আৰু গৈ গৈ এসময়ত সমুদ্ৰৰ ঘাট পালেগৈ।



দূৰৈৰপৰা সেই নাওখন আৰু ধুমক'লা টেকেলা তিনিটাক দেখা পাই হালোৱা হলিৰামে কৈ উঠিল, বোলোঁ ঐ বুধি— এয়া দেখোন ৰাক্ষসহঁতৰ নাও!"

তথাপি আহিছেই যেতিয়া, নাৱত বহিল, আৰু ধুমক'লা টেকেলা তিনিটাই তৎক্ষণাৎ নাওখন বেগাই চলাই দিলে।

*

কিছু সময়ৰ অন্তত নাওখন এটা দ্বীপত লাগিলগৈ। দ্বীপটো আছিল একেবাৰে টকলা। এই দ্বীপ ৰাক্ষসৰজাৰ দ্বীপ।

কিন্তু ৰাক্ষসদ্বীপ বুলি বুজি পায়ো হলিৰাম অথবা বুধিৰামে তেতিয়া আৰু কৰিবলগীয়া একো নাছিল। টেকেলা তিনিটাই সিহঁত দুজনক ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজা দেখাত আছিল অতি বীভৎস আৰু কেতৰক'লীয়া।

ৰাক্ষসৰজাক হালোৱা হলিৰামে সুধিলে, "আমাকনো ইমান দূৰ দেশলৈ লৈ আহিল কিয় ?"

"এটা কাম আছে। আমাৰ ওচৰত এটা ডাঙৰ পাত্ৰ আছে। সেই পাত্ৰটোৰ তলত জুই জ্বলাব লাগিব। তোমালোকে কামটো কৰিব পাৰা যদি ভালেই, নহ'লে আৰু ঘৰলৈ উভতি যোৱাৰ আশা নাই। তোমালোকক ইয়াতে মাৰি পেলোৱা হ'ব।" ৰাক্ষসৰজাই ক'লে।

হালোৱা হলিৰামে ক'লে, "আগতে পাত্ৰটো চাওঁইচোন, পাছত যি হয় হ'ব।

ৰাক্ষসহঁতে দুয়োকো এটা ডাঙৰ কোঠালৈ লৈ গ'ল। কোঠাটোৰ সোঁমাজত ডাঙৰ আকাৰৰ তামৰ পাত্ৰ এটা আছিল। হলিৰামে ৰাক্ষসহঁতক কোঠাটোৰপৰা ওলাই যাবলৈ ক'লে।

হালোৱা হলিৰামে বুধিৰামক ক'লে, "চা, মোৰ ধাৰণা—এই পাত্ৰটো হ'ল অক্ষয়পাত্ৰ। আমাৰ তিনিপুৰুষৰ আগৰ ৰজাই এই পাত্ৰত ৰান্ধি হাজাৰ-বিজাৰ মানুহক খুৱাইছিল। ৰাক্ষসহঁতে নিশ্চয়



কেতিয়াবা এই পাত্ৰটো আমাৰ দেশৰপৰা চুৰি কৰি লৈ আহিছিল।"

"কিন্তু আমি এতিয়া ইহঁতৰ কবলৰপৰা মুক্তি পাম কেনেকৈ? কিবা ভাবিছানে এই বিষয়ে?" বুধিৰামে সুধিলে।

"সেইবোৰ কথা তই ভাবিব নালাগে, মই চাম।" তাৰ পাছত হলিৰামে কোঠাটোৰ দুৱাৰ খোলোৰ লগে লগে ৰাক্ষসহঁতে সুধিলে, "জুই জ্বলালানে কি?"

"শুনা, এই পাত্ৰৰ তলত জুই জ্বলাবলৈ হ'লে আমলখি গছৰ বাকলি, আমৰ বাকলি, আঁহতৰ বাকলি, বৰ গছৰ বাকলি আৰু চন্দন গছৰ বাকলি লাগিব।" হলিৰামে ৰাক্ষসহঁতৰ ক'লে।

ৰাক্ষসহঁতে কথাটো সিহঁতৰ ৰজাক ক'লেগৈ। ৰজাৰ উঠিল খং। খঙতে একোনাই হৈ হলিৰামক ক'লে, "তুমি বলিয়ানে কি হে? আমাৰ দ্বীপত এডালি ঘাঁহো নাই, আৰু তোমাক লাগে ইমানবোৰ গছৰ বাকলি! ছালছিগা ঢেকুৰাৰ দৰে কথা নক'বা।"

"তোমালোকৰ দেশত আছেনে নাই কেনেকৈ ক'ম? পিছে—আমাৰ দেশত এইবোৰ য'তে ত'তে পোৱা যায়। মোৰ বোৱাৰীৰ ওচৰলৈ মানুহ পঠাব পাৰা যদি সকলো পাই যাবা। পিছে—ৰাজকোঁৰৰ দুজনক নপঠালে বোৱাৰীয়ে কথাটো কিজানি বিশ্বাসেই নকৰিব।"

"কিন্তু তোমাৰ বোৱাৰীৰপৰা বস্তুখিনি ননালৈকে তোমালোক দুয়ো এই কোঠাতে বন্দী হৈ থাকিবা।" এই বুলি কৈ, ৰাক্ষস ৰজাই নিজৰ পুত্ৰ দুজনক, আৰু লগতে নাৰৰীয়া হিচাপে আৰু তিনিটা ৰাক্ষসক হালোৱাৰ ঘৰলৈ পঠালে।

ৰাক্ষস-ৰাজকোঁৱৰ দুটাই বুধিৰামৰ ঘৈণীয়েক বিদ্যাৱতীক ক'লেগৈ, "আমি সমুদ্ৰ-ৰজাৰ পুত্ৰ, তোমাৰ শহুৰ-দেউতা আৰু গিৰিয়েক আমাৰ তাত বন্দী অৱস্থাত আছে। আমি বৰ, আঁহত, আম, আমলখি

আৰু চন্দন গছৰ বাকলি তোমাৰপৰা ল'বলৈ আহিছোঁ। তুৰন্তে দিয়া।"

বিদ্যাৰতীয়ে কথাটো দ'কৈ ভাবি চালে। পাছত তাই ৰাক্ষস-ৰাজকোঁৱৰ দুটাক ক'লে, "এই আটাইবোৰ গছৰ বাকলি সৌটো কোঠাত দ'মাই থোৱা আছে। যিমান ইচ্ছা লোৱাঁগৈ।" এই বুলি কৈ, তাই কোঠাটোৰ দুৱাৰ খুলি দিলে।

লগে লগে ৰাক্ষস-ৰাজকোঁৱৰ দুটা কোঠাটোত সোমালগৈ। আৰু বিদ্যাৰতীয়ে তৎক্ষণাৎ কোঠাটোৰ দুৱাৰত মস্ত তলা লগাই দিলে।

তাৰ পাছত বিদ্যাৰতীয়ে টেকেলা তিনিটাক ক'লেগৈ "তোমালোকৰ ৰাজ-কোঁৱৰ দুজন আমাৰ এটা কোঠাত বহি আছে। কোঠাটো তলাবন্ধ হৈ পৰিল। এই তলাৰ চাবি ক'ত আছে মই তো ক'ব নোৱাৰোঁ, শহুৰদেউতাই আৰু মোৰ স্বামীয়েহে ক'ব পাৰিব। তেওঁলোকক তুৰন্তে ঘৰলৈ পঠোতাই পঠাবলৈ কোৱাঁগৈ তোমালোকৰ ৰজাক।"

টেকেলা তিনিটাই কথাটো ৰাক্ষস-ৰজাক ক'লেগৈ। ৰাক্ষস-ৰজাই নিৰুপায়ত পৰি হালোৱা হলিৰাম আৰু বুধিৰামকো ওভোতাই পঠাবলৈ আদেশ দিলে। ইহঁতক ঘূৰাই নপঠালে যে নিজৰ পুত্ৰ দুজনো ঘূৰি নাহিব—ৰাক্ষস ৰজাই কথাটো বঢ়িয়াকৈ বুজি পাইছিল।

কিন্তু হলিৰামে আৰু বুধিৰামেও ৰাক্ষস-ৰজাক ক'লে যে ভালকৈ উপহাৰ নিদিলে সিহঁত ঘৰলৈ উভতি নাযায়।

তেতিয়া ৰাক্ষস-ৰজাই দুয়োকো এমোনাকৈ সোণ দিলে, আৰু সেই সোণৰে সৈতে নাৰত উঠি দুয়ো ৰংমনে ঘৰ পালেগৈ।

ৰাক্ষস-ৰজাৰপৰা পোৱা ধন-সোণেৰে সিহঁতে সিহঁতৰ বাকী জীৱন অতি সুখেৰে কটাব পাৰিছিল।

পশু-পক্ষী

দক্ষিণ আমেৰিকাৰ বিশেষ এজাতি ভালুকৰ চকুৰ চাৰিওফালে বিচিত্ৰ ধৰণৰ আঁচ বা ৰেখা দেখা যায়। সেই বাবে এইবিধ ভালুকক বিতচকুৰা ভালুক বুলি কোৱা হয়।

বিতচকুৰা ভালুক



বিপদ

সামুদ্ৰিক মৌ-মাখি অষ্ট্ৰেলিয়াত দেখা পোৱা যায়। এই সামুদ্ৰিক মৌমাখিইতৰ গাত ধোঁৱাৰদৰে আনুমানিক চাৰিকোটি মিহি-তকৈয়ো মিহি নোম ওলমি থাকে। এই প্ৰায় অদৃশ্য ধোঁৱাৰ দৰে নোমবোৰ ইমানেই বিষাক্ত যে ইয়াৰ সংস্পৰ্শত আহিলে দুই-তিনি মিনিটৰ ভিতৰতে এজন মানুহে ইহলীলা সামৰিব।

পলু এটাৰ গাত আনুমানিক ২০০০ কোষ আছে। মানুহৰ দেহাত মুঠেই ৭০০ কোষ।

কোষসমূহ

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সমলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০'০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ ছেপ্টেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৬ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৬ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জ্ঞানৰ থান — দ্বিতীয় ফটো : পতান

পুৰস্কাৰ পাওঁতা : উদয় ৰাভা, বশিষ্ঠ বিদ্যাপীঠ, পিলিংকটা, কামৰূপ।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জ্ঞানন'ৰ উত্তৰ]

১। কাৰ্ত্তিকা ২। জৰ্জ ৱাশ্বিংটন ৩। ৰিজিয়া কোম ৪। হুমায়ুঁ
৫। সৰোজিনী নায়ডু।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰাণ্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।

MERI GOLD COVERING WORKS

P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.


নটৰাজ পেন্সিলৰ লিখনি
সুনিপুণ নিখুঁত বাচনি
নটৰাজ পেন্সিল
বেছিকৈ লিখে, বেছিকৈ চলে